## হেলিকপ্টাৰ দুৰ্ঘটনা, নিহত ৩ উপকূলৰক্ষী

**পোৰবন্দৰ, ৫ জানুৱাৰীঃ** গুজৰাটত দেওবাৰে ভাৰতীয় উপকূলৰক্ষীৰ এখন হেলিকপ্টাৰ ভূপতিত হয়। ৬ পৃষ্ঠাত



www.newsnextone.com

# e সংবাদ



ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39



MONDAY, JANUARY 06, 2025 ■ সোমবাৰ, ২০ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২ Guwahati, Assam ।। মূল্যঃ এটকা


## এডভাণ্টেজ অসম! মুম্বাইত ঘূৰিছে চিএমে

**ই-সংবাদ, ৫ জানুৱাৰীঃ** চৰকাৰী কাৰ্যসূচী লৈ মুম্বাই ভ্ৰমণৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এডভাণ্টেজ আছাম ২.০ত শেষাংশ ২ পৃষ্ঠাত


উদ্যোগপতিৰ সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

## গুৱাহাটী অভিমুখী এয়াৰ ইণ্ডিয়াৰ বিমান পালে কলকাতা

**ই-সংবাদ, ৫ জানুৱাৰীঃ** গুৱাহাটী অভিমুখী এয়াৰ ইণ্ডিয়াৰ এখন বিমানত দেওবাৰে এক অঘটন সংঘটিত হয়। গুৱাহাটীত অৱতৰণ কৰিব নোৱাৰিলে এয়াৰ ইণ্ডিয়াৰ এই ৫ পৃষ্ঠাত

## বিজ্ঞাপনত ভাষা বিকৃতিৰ কি কাৰণ?

নতুন কথা



■ মৃগাক্ষী ফুকন

এইকেইদিন কাৰোবালৈ ফ'ন কৰিলেই বাজি উঠা চাইবাৰ অপৰাধ সম্পৰ্কীয় সতৰ্কবাণী এটা চৰ্চাত শেষাংশ ৩ পৃষ্ঠাত

## হিমন্ত চৰকাৰৰ আৰু বেছি দিন নাইঃ ভূপেন বৰা

**ই-সংবাদ, ৫ জানুৱাৰীঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰাই ইংৰাজী নৱবৰ্ষৰ পঞ্চম দিনটোত শেষাংশ ৪ পৃষ্ঠাত



## বিধুৰীৰ আপত্তিকৰ মন্তব্য



**নতুন দিল্লী, ৫ জানুৱাৰীঃ** বিতৰ্কিত বিজেপি নেতা ৰমেশ বিধুৰীৰ এক মন্তব্যই পুনৰ উত্তপ্ত কৰি তুলিছে দেশৰ ৰাজনীতি। ৬ পৃষ্ঠাত চাওক

## বিশ্ব অভিলেখ! ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীৰ সন্মুখত ঝুমুৰ নৃত্য

**ই-সংবাদ, ৫ জানুৱাৰীঃ** ঋণত পোত যোৱা চৰকাৰখনে পুনৰ বিশ্ব ৰেকৰ্ড গঢ়িবলৈ নৃত্যৰ সমাৰেশ আয়োজন কৰিবলৈ আগবাঢ়িছে। মাহেকত কমেও এবাৰ বা দুবাৰ ধাৰ শেষাংশ ২ পৃষ্ঠাত

## শিল্পী বঁটা, ফণী শৰ্মা বঁটা প্ৰাপকৰ নাম ঘোষণা

**ই-সংবাদ, ৫ জানুৱাৰীঃ** ইংৰাজী নৱবৰ্ষৰ পহিলা সপ্তাহটোত ভাল খবৰ দিছে ৰাজ্য চৰকাৰে। চাৰিগৰাকী ৪ পৃষ্ঠাত



### চৰকাৰী বিশেষ কলাৰটিউনত বিকৃত 'চিৰ চেনেহী ভাষা জননী'

# সজাগতাৰ নাম লৈ ধ্ৰুপদী ভাষাক অপমান টেলিকম বিভাগৰ!

**ই-সংবাদ বিশেষ, ৫ জানুৱাৰীঃ** চাইবাৰ অপৰাধৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ নামত টেলিকম বিভাগে চলোৱা এক প্ৰচাৰ কাৰ্য সম্প্ৰতি যথেষ্ট চৰ্চাত আছে। দেশৰ সকলো অঞ্চলতে ভিন ভিন স্থানীয় ভাষাত কলাৰটিউনৰ ৰূপত এই দীঘলীয়া সতৰ্কবাৰ্তাটো বাজি উঠে যদিও অসমত এক বিশেষ কাৰণত সমগ্ৰ বিষয়টো বিতৰ্কৰ ২ পৃষ্ঠাত চাওক



## অৰুণাচলৰ চেলা হ্ৰদত বৰফত আবদ্ধ পৰ্যটক, উদ্ধাৰ

**ইটানগৰ, ৫ জানুৱাৰীঃ** বৰফাবৃত্ত পাহাৰ আৰু প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্য্যৰে ভৰপূৰ টাৱাঙৰ চেলা হ্ৰদত সংঘটিত হ'ল এক ভয়ংকৰ দুৰ্ঘটনা। বৰফেৰে ৪ পৃষ্ঠাত চাওক




## পানীক লৈ প্ৰতিবাদ!

**ই-সংবাদ, ৫ জানুৱাৰীঃ** কেন্দ্ৰীয় চৰকাৰে 'জল জীৱন মিছন' আঁচনি ৰূপায়ন কৰি দেশৰ মানুহৰ বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ সংকল্প লৈছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰ তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেখা সপোন অসমত শেষাংশ ৩ পৃষ্ঠাত

### চাফা কৰি থাকোতেই অঘটন

## ছাৰ্ভিছ বন্দুকে ডিব্ৰুগড়ত কাঢ়িলে কনিষ্টবলৰ প্ৰাণ



**ই-সংবাদ, ডিব্ৰুগড়, ৫ জানুৱাৰীঃ** এক কৰুণ আৰু হৃদয়বিদাৰক ঘটনাই আজি ৫ পৃষ্ঠাত

### সীমান্ত পাছ অবিহনে যাত্ৰা কৰাত কঠোৰ নিষেধাজ্ঞা জাৰি

## মিজো-ম্যানমাৰ সীমান্তত নিয়ম সলনি

**আইজল, ৫ জানুৱাৰীঃ** ম্যানমাৰৰ পৰা সশস্ত্ৰ উগ্ৰপন্থীৰ উত্তৰ-পূব ভাৰতত প্ৰৱেশৰ চোৰাংচোৱাৰ খবৰৰ পিছতে মিজোৰাম-ম্যানমাৰৰ ৫১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্তত কটকটীয়া কৰা হৈছে নিৰাপত্তা। সীমান্তৰ পৰা ১০ কিলোমিটাৰ দূৰত্বত বসবাস কৰা ভাৰত আৰু ম্যানমাৰৰ বাসিন্দাসকলক এতিয়া সীমান্ত পাছ অবিহনে ৫ পৃষ্ঠাত



## চোৰাং তেল! আকৌ নিহত এজন

**ই-সংবাদ, শিৱসাগৰ, ৫ জানুৱাৰীঃ** শিৱসাগৰত চোৰাং তেলৰ ৰমৰমীয়া বেহা যে অব্যাহত আছে শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সজাগতাৰ নাম লৈ ধ্ৰুপদী ভাষাক

আৱৰ্তত সোমাই পৰিছে। অসমৰ পৰিসীমাৰ ভিতৰত অসমীয়া ভাষাতে এই কলাৰটিউনটোৰ জৰিয়তে উক্ত সজাগতামূলক বাৰ্তাটো দিয়া হৈছে। কিন্তু ভাষাৰ বিসংগতিৰ বাবে সেয়া বুজিব নোৱাৰি আৰু অৰ্থ হাস্যকৰ হৈ পৰিছে। যাৰবাবে ছ'চিয়েল মিডিয়াৰ জৰিয়তে বিভিন্নজনে এই বিসংগতিপূৰ্ণ বাৰ্তাটো আঁতৰাবলৈ সংশ্লিষ্ট বিভাগটোক আহ্বান জনাইছে। উল্লেখ্য যে, অলপতে দূৰসংযোগ বিভাগে ৰিলায়েন্স জিঅ', এয়াৰটেল, বিএছএনএল, ভ'ডাফোন আইডিয়াকে ধৰি দেশৰ টেলিকম সেৱা প্ৰদানকাৰী কোম্পানীসমূহক চাইবাৰ অপৰাধৰ বিৰুদ্ধে সজগতামূলক কলাৰটিউন গ্ৰাহকৰ বাবে বজাবলৈ এক নিৰ্দেশনা জাৰি কৰিছিল। নিৰ্দেশনা অনুসৰি কোম্পানীসমূহে তিনি মাহৰ বাবে এই কলাৰ টিউন দিনে ৮-১০ বাৰকৈ বজাব লাগিব। সেই মৰ্মে কোম্পানীসমূহে ডিচেম্বৰ মাহৰপৰা এই কাম আৰম্ভ কৰিছে। এই কলাৰটিউনসমূহ প্ৰস্তুত কৰিছে গৃহ বিভাগৰ অধীনত থকা চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই। কিন্তু বিভিন্ন ভাৰতীয় ভাষাত এই কলাৰটিউনসমূহ প্ৰস্তুত কৰি উলিওৱাৰ সময়ত বিভাগটোৱে ভাষা বিশেষজ্ঞ বা অনুবাদকৰ বিপৰীতে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লয়। অসমীয়া ভাষাত এআইৰ সহায় লৈ ইংৰাজীৰ পৰা অনুবাদ কৰা বাৰ্তাটোত যথেষ্ট ভুল থকাতো স্পষ্ট হৈ পৰিছে। লগতে এআই কণ্ঠই ডাৰি-কমা নোহোৱাকৈ পঢ়া বাৰ্তাটোত একাধিক ইংৰাজী শব্দৰ উচ্চাৰণো ভুল হৈছে। স্থানীয় ভাষাসমূহত এতিয়াও সম্পূৰ্ণৰূপে প্ৰশিক্ষিত হৈ নুঠা এআইৰ ওপৰত নিৰ্ভৰ কৰি এনে এটা বৃহৎ প্ৰচাৰ চলাই থকা কাৰ্যই গৃহ বিভাগৰ স্থানীয় ভাষাক লৈ দায়িত্বজ্ঞানহীনতাকে উদঙাই দিছে। মন কৰিবলগীয়া যে বৰ্তমান যিকোনো বিজ্ঞাপন বা প্ৰচাৰ কাৰ্যত হকে-বিহকে ভুলে শুদ্ধই অসমীয়া ভাষা ব্যৱহাৰ কৰা হয়। গ্ৰাহকৰ কাষ চপাৰ উদ্দেশ্যে দেশী-বিদেশী কোম্পানীয়ে ব্যৱহাৰ কৰা 'স্থানীয়কৰণ' (localization) নামৰ এই বিপণন কৌশল এতিয়া চৰকাৰী বিভাগসমূহেও ব্যৱহাৰ কৰিবলৈ লৈছে। কিন্তু তাকে কৰিবলৈ যাওঁতে ভাষাৰ শুদ্ধতা নিৰূপণৰ বিষয়টোলৈ পিঠি দিয়াতো চিন্তাৰ বিষয় হৈ পৰিছে। 'স্থানীয়কৰণ'ৰ নামত অসমীয়া ভাষাক লৈ কৰা বহুৱালি কোনো সচেতন অসমীয়াই সহ্য কৰিব নোৱাৰে। স্থানীয়কৰণ প্ৰকল্পসমূহত অসমীয়া ভাষাৰ বিশেষজ্ঞৰ তত্ত্বাৱধানত হোৱাটো বাধ্যতামূলক হ'ব লাগে বুলি বহুতে দাবী উত্থাপন কৰিছে। এই ক্ষেত্ৰত অসম চৰকাৰক দায়িত্ব ল'বলৈকো আহ্বান জনোৱা হৈছে। কেৱল ধ্ৰুপদী ভাষাৰ মৰ্যাদাই ভাষাটোক জীয়াই ৰখাটো সম্ভৱ নহয়। এআইৰ বহুল ব্যৱহাৰ আৰু স্থানীয়কৰণ উদ্যোগে মূৰ দাঙি উঠাৰ সময়ত সঠিক পদক্ষেপ গ্ৰহণ নকৰিলে অসমীয়া ভাষা গোলকীয় মঞ্চত উপলব্ধ হ'ব ঠিকেই, কিন্তু সেয়া অসমীয়া মানুহে হয়তো নিজেই চিনিব নোৱাৰিব বুলি আশংকা প্ৰকাশ কৰিছে সচেতন মহলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এডভাণ্টেজ অসম! মুম্বাইত ঘূৰিছে

বিভিন্ন উদ্যোগপতিৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ প্ৰয়াস কৰিছে। কালিৰে পৰা মুখ্যমন্ত্ৰীয়ে এডভাণ্টেজ আছাম ২.০ৰ বাবে দেশৰ বিভিন্ন উদ্যোগপতিক সাক্ষাৎ কৰিছে। বিভিন্ন উদ্যোগপতিক সাক্ষাৎ কৰি আলোচনাত মিলিত হৈ এডভাণ্টেজ আছাম ২.০ত অংশগ্ৰহণ কৰিবলৈ সাদৰেৰে নিমন্ত্ৰণ জনায়। টাটাগুপৰ কাৰ্যবাহী বিষয়াসকল, লক্ষ্মী টীৰ পৰিচালন সঞ্চালক ৰুদ্ৰ চেটাৰ্জী, হিন্দুস্তান ইউনিলিভাৰৰ মুখ্য কাৰ্যবাহী বিষয়া ৰোহিত জৱা, এইচডিএফচি বেংকৰ মুখ্য কাৰ্যবাহী বিষয়া শশীধৰ জগদীশন, এছাৰৰ সঞ্চালক প্ৰশান্ত ৰুইয়া, আদানী বিমানবন্দৰৰ সঞ্চালক জিত আদানী, ৰেলস্পুন গ্ৰুপৰ অধ্যক্ষ বি কে গোৱেংকায়া, লাৰ্ছেন টাব্ৰ'ৰ মুখ্য কাৰ্যবাহী বিষয়া সুব্ৰমনিয়াম, মহিন্দ্ৰা গ্ৰুপৰ আনন্দ মহিন্দ্ৰাৰ সৈতে আলোচনাত মিলিত হয় মুখ্যমন্ত্ৰী। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ আৰু সহযোগিতাৰ বাবে উদ্যোগপতিসকলক আহ্বান জনাইছে মুখ্যমন্ত্ৰীগৰাকীয়ে। ৰেলস্পুন গ্ৰুপৰ অধ্যক্ষ বি কে গোৱেংকা, লাৰ্ছেন টাব্ৰ'ৰ মুখ্য কাৰ্যবাহী বিষয়া সুব্ৰমনিয়াম, মহিন্দ্ৰা গ্ৰুপৰ অধ্যক্ষ আনন্দ মহিন্দ্ৰাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। মুম্বাইত এইচডিএফচি বেংকৰ মুখ্য কাৰ্যবাহী বিষয়া শশীধৰ জগদীশনক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীয়ে দক্ষ আৰু অনুশাসিত কৰ্মশক্তিৰ জৰিয়তে ভাৰতৰ ক্ৰমবৰ্ধমান বেংকিং উদ্যোগৰ দিশ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ডিবিটিক অগ্ৰাধিকাৰ দি অসমৰ অৰ্থনীতিক সবল কৰাৰ দিশত গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে অৱগত কৰে। হিন্দুস্তান ইউনিলিভাৰৰ মুখ্য কাৰ্যবাহী বিষয়া ৰোহিত জৱাকো সাক্ষাৎ কৰে। অসমৰ চাহ উদ্যোগক আৰু অধিক বিকশিত কৰাৰ উপায় সন্দৰ্ভত ফলপ্ৰসূ আলোচনা কৰে মুখ্যমন্ত্ৰীয়ে। লক্ষ্মী টীৰ পৰিচালন সঞ্চালক ৰুদ্ৰ চেটাৰ্জীক সাক্ষাৎ কৰি অসমৰ চাহ বাগিচাক লৈ আলোচনা বহে। ৰুদ্ৰ চেটাৰ্জীয়ে চাহ পৰ্যটনৰ সুযোগ অন্বেষণ কৰিবলৈও আগ্ৰহ প্ৰকাশ কৰে। এছাৰৰ সঞ্চালক প্ৰশান্ত ৰুইয়াক সাক্ষাৎ কৰিও আলোচনাত বহে মুখ্যমন্ত্ৰীগৰাকী। এছাৰক অসমত নবীকৰণযোগ্য শক্তি, হাইড্ৰ'কাৰ্বন আৰু প্ৰাকৃতিক গেছ খণ্ডত বিনিয়োগ বৃদ্ধি কৰি নেট জিৰো এমিছন লাভৰ উদ্দেশ্যত সহযোগিতা আগবঢ়াবৰ বাবে আহ্বান জনায়। আদানি বিমানবন্দৰৰ সঞ্চালক শ্ৰীজিত আদানিৰ সৈতে আলোচনাৰ বহাৰ অন্তত তেওঁ মুখ্যমন্ত্ৰীৰ আগত অসমৰ আন্তঃগাঁথনি, শক্তি আৰু প্ৰতিৰক্ষা খণ্ডত সুযোগ অনুসন্ধান কৰাৰ বিষয়ে গভীৰ আগ্ৰহ প্ৰকাশ কৰে। কালি মুখ্যমন্ত্ৰীয়ে টাটা গ্ৰুপৰ বিষয়াসকলক সাক্ষাৎ কৰিছিল। মুম্বাইত টাটা গ্ৰুপৰ বিভিন্ন কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু প্ৰতিনিধিসকলৰ সৈতে বৈঠক কৰি বৈঠক ফলপ্ৰসূ বুলি কৈছিল মুখ্যমন্ত্ৰীগৰাকীয়ে। অসমৰ বাবে টাটা গ্ৰুপৰ সম্প্ৰসাৰণ পৰিকল্পনাৰ পৰ্যালোচনাৰ লগতে এডভাণ্টেজ আছাম ২.০ত অংশগ্ৰহণৰ কামনা কৰে। উল্লেখ্য যে, অহা ২৫-২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব এডভাণ্টেজ আছাম ২.০।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিশ্ব অভিলেখ! ২৪ ফেব্ৰুৱাৰীত

লৈ অহা অসম চৰকাৰে এইবাৰ চাহ জনগোষ্ঠীৰ ঝুমুৰ নৃত্যৰ সমাৰেশ অনুষ্ঠিত কৰি কেইবা কোটি টকা খৰচ কৰি সংখ্যাৰ দিশত ৰেকৰ্ড গঢ়িবলৈ আগবাঢ়িছে। ২৪ ফেব্ৰুৱাৰীত ৭ হাজাৰ শিল্পীয়ে একেলগে ঝুমুৰ নৃত্য কৰিবলীয়া অনুষ্ঠানত উপস্থিত থাকিব দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰধানমন্ত্ৰীক অনুষ্ঠানটোলৈ আমন্ত্ৰণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে নিমন্ত্ৰণ গ্ৰহণ কৰি এই বিশাল কাৰ্যসূচীত উপস্থিত থকাটো ঠিৰাং কৰিছে। পূৰ্বে বিহু নৃত্য প্ৰদৰ্শন কৰি ৰেকৰ্ড কৰা চৰকাৰে এইবাৰ ঝুমুৰ নৃত্যৰে বিশ্ব অভিলেখ কৰিবলৈ ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰিছে বিশেষ অনুষ্ঠানৰ। গুৱাহাটী মহানগৰীৰ সৰুসজাই ষ্টেডিয়ামত ৭ হাজাৰ ঝুমুৰ নৃত্যশিল্পীয়ে একেলগে নৃত্য প্ৰদৰ্শন কৰিব। চৰকাৰে প্ৰশাসনৰ উচ্চপদস্থ বিষয়াক প্ৰস্তুতিৰ বাবে ভাগে ভাগে দায়িত্ব দিছে। অভিভাৱক মন্ত্ৰীসকল আৰু স্থানীয় বিধায়কসকলে জিলাসমূহত প্ৰস্তুতিৰ তদাৰক কৰিব। মুখ্য সচিব ৰবি কোটাকো তদাৰক কৰিবলৈ কোৱা হৈছে। সমানে প্ৰতিখন জিলা আয়ুক্তই মহিলা ঝুমুৰ নৃত্য শিল্পীসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। প্ৰশিক্ষণৰ পৰাই পাৰদৰ্শী নৃত্যশিল্পীক গুৱাহাটীৰ মুখ্য কাৰ্যসূচীত অংশ ল'বৰ বাবে নিৰ্বাচিত কৰা হ'ব। তেনেদৰে গুৱাহাটীৰ কাৰ্যসূচীৰ বাবে দুদিন পূৰ্বে জিলাসমূহৰ পৰা শিল্পীসকলক গুৱাহাটীলৈ আনি হোটেলত ৰখা হ'ব। দুদিন সৰুসজাই ষ্টেডিয়ামত আখৰা কৰা হ'ব। গুৱাহাটীৰ কাৰ্যসূচীৰ সমন্বয়কৰ দায়িত্ব দিয়া হৈছে কামৰূপ মহানগৰ জিলা আয়ুক্তক। গুৱাহাটীৰ সমগ্ৰ অনুষ্ঠানটো চোৱা-চিতা কৰিব সাংস্কৃতিক বিভাগে। জিলাৰ প্ৰশিক্ষণৰ সময়ত আৰু গুৱাহাটীলৈ কৰা যাত্ৰা আৰু গুৱাহাটীৰ পৰা শিল্পীসকলে ওভতনি যাত্ৰাৰ সময়ত নিৰাপত্তা, পোচাক, চিকিৎসা, থকাৰ ব্যৱস্থা কৰিব লাগিব জিলা আয়ুক্তসকলে। উল্লেখ্য যে পূৰ্বে বিহুক লৈ অভিলেখ গঢ়ি ব্যাপক চৰ্চা লাভ কৰিবলৈ সমৰ্থ হৈছিল চৰকাৰখনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজ্ঞাপনত ভাষা বিকৃতিৰ কি কাৰণ?

অসমত অসমীয়াতে বজা এই কলাৰটিউনটো ভুল উচ্চাৰণ আৰু ভুল অনুবাদৰ বাবে খোদ অসমীয়া মানুহেই বুজি নোপোৱা এটা পৰিস্থিতি। কোনোবাই ইয়াক লৈ হাঁহিছে আৰু কোনোৱে বহিৰাগত কোম্পানীয়ে অসমীয়া ভাষাৰ শৰাধ পতা বুলি ক্ষোভ উজাৰিছে। ঘটনা কেৱল এইটোৱে নহয়, লেন্সকাৰ্ট কোম্পানীয়েও ছ'চিয়েল মিডিয়াত আহোম সম্প্ৰদায়ৰ চকলং বিবাহৰ সমগ্ৰ ধাৰণাটোকে ভুলকৈ উপস্থাপন কৰি বিজ্ঞাপন এটা চলাই আছে; বিসংগতিপূৰ্ণ অসমীয়া ফন্টেৰে প্ৰিন্ট হৈ ওলোৱা লিভাৰ টনিকৰ বিজ্ঞাপন অটোৰিক্সাই চিটিবাছে ঘূৰি ফুৰিছে। এইকেইদিন এইবোৰ দেখি-শুনি হয়তো আপোনাৰ মনতো প্ৰশ্ন উত্থাপন হৈছে যে এই বিসংগতিপূৰ্ণ কামবোৰনো আচলতে কৰে কোনে?

স্থানীয় ভাষাত ৰাষ্ট্ৰীয়/আন্তঃৰাষ্ট্ৰীয় কোম্পানীৰ বিজ্ঞাপন যেতিয়াৰেপৰা উপলব্ধ হৈছে তেতিয়াৰেপৰা সময়ে সময়ে এইধৰণৰ আঁসোৱাহক লৈ বিতৰ্ক চলি আহিছে। এই সমস্যাবোৰ কিয় হয় আৰু এইবোৰৰ কিবা সমাধান আছেনে নাই তাকেই আলোচনা কৰিব খুজিছোঁ।

অলপতে দূৰসংযোগ বিভাগে ৰিলায়েন্স জিঅ', এয়াৰটেল আৰু ভ'ডাফোন আইডিয়াকে ধৰি দেশৰ টেলিকম কোম্পানীবোৰক দিনে ৮-১০ বাৰকৈ তিনি মাহৰ বাবে চাইবাৰ অপৰাধ সজাগতামূলক এটা বাৰ্তা কলাৰটিউনৰ ৰূপত গ্ৰাহকসকলক প্ৰদান কৰিবলৈ এক নিৰ্দেশনা জাৰি কৰে। দেশত বাঢ়ি অহা চাইবাৰ অপৰাধ ৰোধ কৰাৰ উদ্দেশ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছিল। কিন্তু ভাষাগত বৈচিত্ৰ্যৰে পৰিপূৰ্ণ ভাৰতত কেৱল হিন্দী বা ইংৰাজীত এই বাৰ্তা প্ৰদান কৰিলে নহ'ব। ৰাইজক নিজৰ ভাষাত চাইবাৰ অপৰাধৰ বিৰুদ্ধে সজাগ কৰিব লাগিব। কাৰণ কোম্পানীবোৰৰ বাবে গ্ৰাহক অভিজ্ঞতা (UX/user experience) এক গুৰুত্বপূৰ্ণ বিষয়। কোম্পানীৰ যিকোনো সামগ্ৰী বা সেৱা ব্যৱহাৰ কৰাৰ সময়ত গ্ৰাহকে যি ভাল বা বেয়া অভিজ্ঞতা লাভ কৰে তাৰ ওপৰত ভিত্তি কৰিয়ে গ্ৰাহকৰ সৈতে কোম্পানীটোৰ সম্পৰ্ক গঢ় লয় বা ভাঙে। সেয়েহে গ্ৰাহকক সুচল অভিজ্ঞতা প্ৰদান কৰিবলৈ বৰ্তমান কোম্পানীবোৰে ব্যৱহাৰ কৰা অন্যতম বিপণন আহিলা (Marketing tool) হৈছে 'স্থানীয়কৰণ' (Localization)- অৰ্থাত্ গ্ৰাহকক তেওঁৰ মাতৃভাষাতে আঞ্চলিক প্ৰাসংগিকতা থকা সমলৰ জড়িয়তে সেৱা প্ৰদান কৰা। বিশ্বজুৰি স্থানীয়কৰণ এক ফলপ্ৰসূ বিপণন আহিলা হিচাপে পৰিগণিত হৈছে আৰু ভাৰত, য'ত ১০ জনৰ ভিতৰত ৯ জন লোকেই ইংৰাজী নোকোৱা ইণ্টাৰনেট ব্যৱহাৰকাৰী, তাত কোম্পানীবোৰে স্থানীয়কৰণক আঁকোৱালি ন'লব সেয়া হ'বয়ে নোৱাৰে। কিন্তু প্ৰায় ৪৫৩ টা ভাষা আৰু দোৱান ব্যৱহাৰ হোৱা আমাৰ দেশখনত স্থানীয়কৰণ বিষয়টোত জটিলতা যথেষ্ট আছে।

কোম্পানীবোৰ স্থানীয়কৰণ প্ৰকল্পসমূহৰ বাবে ভাষা সেৱা প্ৰদানকাৰী (Language service provider/LSP)ৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে, বৰ্তমান স্থানীয়কৰণৰ চাহিদা বৃদ্ধিৰ সমান্তৰালকৈ দেশত বহুকেইটা অনুবাদ কোম্পানী গঢ় লৈ উঠিছে। কিন্তু চাহিদা অনুপাতে সংশ্লিষ্ট কোম্পানীবোৰক সময়মতে আৰু শুদ্ধ ৰূপত কাম (অনুবাদ/সমল সৃষ্টি/ সম্পাদনা/ ভইচ অ'ভাৰ/ গুণগত মানদণ্ডৰ নিশ্চয়তা প্ৰদান আদি) যোগান ধৰিব পৰাকৈ তেওঁলোকৰ হাতত যথেষ্ট সংখ্যক দক্ষ কৰ্মচাৰী নাথাকে। যাৰ বাবে LSP সমূহ ক্ষুদ্ৰতৰ সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠান বা মুক্ত সেৱা প্ৰদানকাৰী ব্যক্তি (freelancer)ৰ ওপৰত নিৰ্ভৰশীল। এটা সম্পূৰ্ণ উদ্যোগ (Translation/Localization industry) হিচাপে গঢ় লৈ উঠাৰ সম্ভাৱনা থকা এই ব্যৱস্থাটো এনেধৰণে অসংগঠিত ৰূপত থকাৰ ফলতে স্থানীয়কৃত সমলৰ গুণগত মান সন্তোষজনক হোৱা দেখা নাযায়।

অনুবাদ আৰু ভইচ অ'ভাৰৰ কামৰ বাবে নিৰ্ভৰযোগ্য freelancer বিচাৰি উলিওৱাটো অনুবাদ কোম্পানী বা এলএছপিসমূহৰ বাবে এটা কঠিন কাম। কিয়নো ভাৰতত অনুবাদকৰ্ম এটা পূৰ্ণকালীন বৃত্তি নহয়। শিক্ষক/লেখক/ সাংবাদিক বা ভাষা বিষয়ত ডিগ্ৰীধাৰী লোকে অতিৰিক্ত উপাৰ্জনৰ উৎস হিচাপেহে অনুবাদ কৰ্ম কৰি আহিছে। কোনো লোক পূৰ্ণকালীন সেৱাৰ বাবে আগ্ৰহী হ'লেও নিয়মীয়াকৈ কাম যোগান ধৰিব পৰা মঞ্চৰ অভাৱ। তদুপৰি দেশত এনে কোনো স্বীকৃতি প্ৰণালী বা আনুষ্ঠানিক প্ৰশিক্ষণৰ ব্যৱস্থা নাই যিয়ে অনুবাদ উদ্যোগটোক দক্ষ পেছাদাৰী লোক আৰু সংস্থা চিনাক্ত কৰাত সহায় কৰিব পাৰে। ৰাজহুৱা শিক্ষা খণ্ডতো তেনে কোনো পেছাদাৰী বিশেষজ্ঞতা পাঠ্যক্ৰম প্ৰদান কৰাৰ ব্যৱস্থা নাই। ভাষা বিষয়ৰ ডিগ্ৰীৰ লগতে কিছুমান শিক্ষানুষ্ঠানে অনুবাদ পাঠ্যক্ৰমৰ ডিপ্ল'মা বা চাৰ্টিফিকেট ক'ৰ্চ প্ৰদান কৰে যদিও বৰ্তমান চাহিদাত থকা Localization/LLM/AI training আদি বৃহত্ প্ৰকল্পত প্ৰয়োজন হোৱা দক্ষতা এই পাঠ্যক্ৰমসমূহে প্ৰদান কৰিব নোৱাৰে।

আনহাতে বৰ্তমান তেনেই চালুকীয়া অৱস্থাত থকা ভাৰতৰ অনুবাদ/স্থানীয়কৰণ উদ্যোগটোৰ অৰ্থনীতি এনেধৰণৰ যে ইয়াক পূৰ্ণকালীন পেছা হিচাপে ল'বলৈ বিষয়টোত কিছু দক্ষতা থকা লোকসকল আগবাঢ়ি আহিবলৈ সংকোচ কৰে। অৱশ্যে এনে সংকোচৰ সুৰুঙা লৈয়ে আন নহ'লেও অসমীয়া ভাষাৰ স্থানীয়কৰণৰ সুযোগসমূহ অনা-অসমীয়াই কাঢ়ি নিছে। টেলিকম কোম্পানীৰ হিন্দী ভাষাৰ কলাৰটিউনত বিসংগতি নাই। বিসংগতি আছে অসমীয়া ভাষাৰটোত। কিয়নো কোনো ছদ্মবেশী বাঙালী, ওড়িয়া, চিলেটী (বা আন যিকোনো) ভাষাভাষী লোকে অসমীয়াৰ পৰিচয় দি কোম্পানীসমূহৰ পৰা অসমীয়া প্ৰকল্পবোৰ হস্তগত কৰি আহিছে। ভুলে-শুদ্ধই অসমীয়া ব্যৱহাৰ কৰি কোনোবাই ধন উপাৰ্জনৰ বাট মুকলি কৰিছে, ঋণাত্মক প্ৰচাৰো প্ৰচাৰেই বুলি কোম্পানীবোৰেও বিসংগতিপূৰ্ণ বিজ্ঞাপন চলাই আছে আৰু আমি কেৱল অসহায় হৈ শুনি আছোঁ- 'হেল্প'লাইন'ৰ দৰে অদ্ভুত উচ্চাৰণ, 'সঞ্চয়ৰ পানী নিষ্কাশন'ৰ দৰে অবান্তৰ অনুবাদ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পানীক লৈ প্ৰতিবাদ!

এশ শতাংশই বিফল হৈছে বুলি অভিযোগ উত্থাপন হৈ আহিছে। আজি অসমত আগঙুলিৰ মূৰত গণিব পৰা মাথো কেইটামান বিশুদ্ধ পানী যোগান আঁচনিয়েহে কেনেবাকৈ পানী যোগান ধৰি আহিছে। বহু আঁচনি জৰাজীৰ্ণ হৈ পৰিছে। মাটিত পোতা পাইপৰ চিন-চাব নোহোৱা হৈছে। পানীৰ চেপ লগাবৰ বাবে বহুওৱা পকী খুঁটা বাগৰি পৰিছে। মুঠতে মানুহে আজি বিশুদ্ধ খোৱাপানী বিচাৰি হাহাকাৰ কৰিবলগীয়া হৈছে। তাৰ মাজতে বিগত কেই ঘণ্টা ধৰি ৰাইজে পানী লাভ কৰা নাই। কিয়নো পানী যোগান আঁচনিত নিয়োগ কৰা অস্থায়ী কৰ্মচাৰীসকলে নিৰৱচ্ছিন্নভাৱে প্ৰতিবাদ কৰা গৈছে। কৰ্মচাৰীয়ে প্ৰতিবাদ কৰি থকাত ৰাজ্যৰ যিসমূহ আঁচনি যোগে ৰাইজে পানী লাভ কৰি আছে সেইসমূহ আঁচনিৰো পানী যোগান বন্ধ হৈ আছে। যাৰ ফলত ৰাইজে পানী বিচাৰি হাহাকাৰ কৰিবলগীয়া হৈছে। ইপিনে ৰাজ্যৰ ঠায়ে ঠায়ে ৰাইজেও সক্ৰিয় পানী যোগান আঁচনিৰ পানী যোগান বন্ধ হৈ থকাত প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছে। কেইবাখনো আঁচনিৰ পানী যোগান আৰম্ভ কৰিবলৈ ৰাইজে প্ৰতিবাদ জনাইছে। বৰাকত বিশুদ্ধ খোৱাপানী বিচাৰি ৰাজপথলৈ ওলাই আহিছে জনগণ। বৰাকৰ বদৰপুৰ সমষ্টিৰ অন্তৰ্গত মাচিমপুৰ গ্ৰাণ্টবাসীয়ে আজি বিশুদ্ধ খোৱপানী বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। বাল্টি আৰু পানীৰ পাত্ৰ লৈ অসম চৰকাৰৰ পানী যোগান কেন্দ্ৰৰ বাহিৰত প্ৰতিবাদ জনাইছে। বিভাগৰ কৰ্মচাৰীৰ চলিত ধৰ্মঘটৰ ফলত পানী যোগান স্থগিত হোৱাত প্ৰতিবাদ কৰে ৰাইজে। আজি প্ৰতিবাদী ৰাইজে কয় যে আঁচনিৰ ত্ৰুটিপূৰ্ণ যন্ত্ৰপাতি আৰু জলাশয়ৰ পানী লেতেৰা হোৱাত পৰিষ্কাৰ পানীৰ অভাৱ হৈছে। প্ৰতিবাদীসকলে জল জীৱন মিছনত দুৰ্নীতি হোৱা বুলি কয়। প্ৰতিবাদীসকলে মাচিমপুৰ অনুদান পানী যোগান আঁচনিত (ডব্লিউএছএছ) দুৰ্নীতি হোৱা বুলি কয়। ফলত দুৰ্গন্ধিযুক্ত আৰু অস্বাস্থ্যকৰ পানী খাবলৈ বাধ্য হৈছে বুলি কয়। বিশুদ্ধ খোৱা পানীৰ যোগান নিশ্চিত কৰিবলৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। একেদৰে গোলকগঞ্জৰ ৰামৰাইকুঠি সত্ৰতো এনে প্ৰতিবাদ দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত চৰকাৰৰ আৰু বেছি দিন নাই!

ৰাজীৱ ভৱনত এক সংবাদমেল সম্বোধন কৰি শাসনত থকা বিজেপি দল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। ভূপেন কুমাৰ বৰাই ৰাজ্যখনৰ অৰ্থনৈতিক স্থিতিক লৈ সংবাদমেল সম্বোধন কৰি জনমূৰি আয়ৰ ক্ষেত্ৰত অসম পিছ পৰি আছে বুলি দাবী কৰিছে। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ তুলনাত অসমৰ জনমূৰি আয় বহু পিছ পৰি ৰোৱা বুলি কৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লয় বৰাই। মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই বৰাই কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য অৰুণাচল, মিজোৰাম আৰু মেঘালয়ৰ তুলনাত অসমৰ জনমূৰি উপাৰ্জন পিছত আছে। যদি মুখ্যমন্ত্ৰীৰ সঁচাকৈয়ে সাহস আছে তেন্তে অসমৰ জনমূৰি আয় অৰুণাচল, মেঘালয় আৰু মিজোৰামতকৈ অধিক বুলি মুখ্যমন্ত্ৰীয়ে প্ৰমাণ কৰক। বৰাই ৰাজ্যখনৰ অৰ্থনীতিৰ লেহেমীয়া প্ৰগতিক সমালোচনা কৰি বৰাই উল্লেখ কৰে যে অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জিএছডিপি) শীৰ্ষ স্থানৰ পৰা বহু দূৰত আছে। ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে জনমূৰি আয়ৰ ক্ষেত্ৰত অসমক শীৰ্ষ ১০ খন ৰাজ্যৰ ভিতৰত ৰখাৰ লক্ষ্যৰ প্ৰয়োজন নাই। কিয়নো ইমান কম সময়সীমাত ই এক অবাস্তৱ লক্ষ্য হ'ব। কংগ্ৰেছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যাহ্বান জনাইছে আৰু তেওঁক চুবুৰীয়া উত্তৰ-পূবৰ ৰাজ্য যেনে অৰুণাচল প্ৰদেশ, মেঘালয় আৰু মিজোৰামৰ জনমূৰি আয় অতিক্ৰম কৰাবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে কৰি অহা দাবীৰ প্ৰসংগ উল্লেখ কৰি বৰাই কয় যে অসম ভাৰতৰ শীৰ্ষ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত থাকিব বুলি তেওঁ নিৰ্বাচনৰ সময়ত ৰাইজক কথা দিছিল। কিন্তু যদি সৰ্বাধিক জিএছডিপি থকা শীৰ্ষ ১০ খন ৰাজ্যৰ পৰিসংখ্যা লক্ষ্য কৰে তাত অসমৰ নাম বিচাৰি নাপাব। মহাৰাষ্ট্ৰ, তামিলনাডু, উত্তৰ প্ৰদেশ আৰু গুজৰাটৰ দৰে ৰাজ্যসমূহে তালিকাখনত আধিপত্য বিস্তাৰ কৰিছে। ২০২৩-২৪ বৰ্ষৰ বাবে অসমৰ জিএছডিপিৰ মূল্য হৈছে ৬,৪৩,০৮৯ কোটি টকা। ইংৰাজী নতুন বছৰৰ প্ৰথম দিনটোত অসম চৰকাৰ ঋণ লৈ চলোৱা বুলি কংগ্ৰেছে কৰি অহা সমালোচনাৰ উত্তৰ দিছিল মুখ্যমন্ত্ৰীয়ে। সেই উত্তৰক আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কেৱল আত্ম-প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা বুলি কয়। এইক্ষেত্ৰত ভূপেন কুমাৰ বৰাই কয় যে মুখ্যমন্ত্ৰীয়ে কয় অসম জিলিকি আছে। কিন্তু বাস্তৱটো কেৱল তেওঁ আৰু তেওঁৰ সহযোগীসকলৰ লগতে কেইজনমান অনা-অসমীয়া ঠিকাদাৰ আৰু পুঁজিপতি উপকৃত হৈছে। সামগ্ৰিকভাৱে অসম জিলিকি থকা নাই। বিজেপি নেতৃত্বাধীন চৰকাৰৰ ২০০৪ চনৰ 'ইণ্ডিয়া ইজ শ্বাইনিং' প্ৰচাৰৰ তুলনা কৰি বৰাই শেষত কয় যে ২০০৪ চনৰ শ্ল'গানৰ উত্তৰ কংগ্ৰেছৰ মনমোহন সিঙক প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচন কৰাৰ দৰে ২০২৬ চনত অসমৰ ৰাইজে বিজেপিৰ নেতৃত্বক প্ৰত্যুত্তৰ দিব। এপিচিচিৰ সভাপতিগৰাকীয়ে মুখ্যমন্ত্ৰীক সোঁৱৰাই দিয়ে যে তেওঁৰ বৰ্তমানৰ কাৰ্যকাল ৪৯০ দিনৰ পিছত সমাপ্ত হ'ব। ৪০০ দিন বাকী থকাৰ পিছত গণনা আৰম্ভ হ'ব। একেখন সংবাদমেলত বৰাই ২০২৬ চনৰ ৰাজ্যিক নিৰ্বাচনৰ বাবে সাজু হোৱাৰ লগে লগে দলটোৰ বাবে এক কৌশলগত ৰোডমেপ ঘোষণা কৰে। ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভত বক্তব্য ৰাখি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শাসনাধিষ্ঠিত বিজেপি চৰকাৰক ক্ষমতাচ্যুত কৰিম বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। ড০ হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকাল ৪৯০ দিনৰ পিছত ১০ মে, ২০২৬ তাৰিখে সমাপ্ত হ'ব। তাৰ পিছত কংগ্ৰেছ ক্ষমতালৈ ঘূৰি আহিব। পঞ্চায়ত নিৰ্বাচনৰ পিছত বুথ পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়লৈ এক গুৰুত্বপূৰ্ণ সাংগঠনিক অভিযানৰ ঘোষণা কৰে বৰাই। অসম কংগ্ৰেছে দুটা পৰ্যায়ৰ ৰাজ্যব্যাপী প্ৰচাৰ অভিযানৰ পৰিকল্পনা কৰিছে। প্ৰথম পৰ্যায়ত 'জোনাইৰ পৰা সোণাই যাত্ৰা'ত ৪৫টা বিধানসভা সমষ্টি অতিক্ৰম কৰিব। ইয়াৰ পিছত দ্বিতীয় পৰ্যায়ত অতিৰিক্ত ৪৭টা সমষ্টি সামৰি 'শদিয়াৰ পৰা মন্দিয়া যাত্ৰা' কৰা হ'ব। বৰাই সাংবিধানিক মূল্যবোধ বজাই ৰখাৰ এক অভিযান অল ইণ্ডিয়া কংগ্ৰেছ কমিটিৰ 'জয় বাপু, জয় ভীম, জয় সম্বিধান যাত্ৰা'ত অসম কংগ্ৰেছে অংশগ্ৰহণৰ কথা উল্লেখ কৰে। তৃণমূল পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়লৈকে প্ৰতিজন দলীয় কৰ্মী আৰু নেতাই এই যাত্ৰাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব বুলিও কয়। বছৰৰ পহিলা দিনটোত মুখ্যমন্ত্ৰীয়ে কইনাধাৰাত 'নতুন দিনৰ আলাপ' শীৰ্ষক সংবাদমেল সম্বোধন কৰি বিৰোধী দলকো আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। হিমন্ত বিশ্ব শৰ্মাই ঋণ লৈ চৰকাৰ চলাই থকা বুলি বিৰোধীয়ে উত্থাপন কৰি অহা অভিযোগৰ প্ৰত্যুত্তৰ দি অসমৰ বিত্তীয় পৰিৱেশ সুস্থিৰ আৰু ২০২৮ চনলৈ অসমৰ অৰ্থনীতি মিলিয়ন ইক'নমিলৈ ৰূপান্তৰিত হ'ব বুলি দাবী কৰিছিল। ঋণ লোৱাৰ সক্ষমতা বৃদ্ধি হৈছে, তৰুণ গগৈয়ে লোৱা ঋণ সম্পূৰ্ণ ৰূপে মাৰি দিছো বুলি কৈছিল মুখ্যমন্ত্ৰীয়ে। ২০১৪ চনলৈ ঋণ মুক্ত কৰিছো বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰত চৰকাৰে অসম চৰকাৰক ২৭ হাজাৰ কোটি টকা ঋণ লোৱাৰ অনুমতি দিছে। কিন্তু আমি ঋণ লৈছো ১৭ হাজাৰ কোটি টকাহে লৈছো বুলি মুখ্যমন্ত্ৰী বছৰৰ প্ৰথম দিনটোত কৰা দাবীক নস্যাৎ কৰি আজি প্ৰদেশৰ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই হিমন্ত বিশ্ব শৰ্মাক ওভতি ধৰি ৰাইজক বিপথে পৰিচালিত কৰা বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিল্পী বঁটা, ফণী শৰ্মা বঁটা প্ৰাপকৰ নাম

স্বনামধন্য সংস্কৃতিৰ সাধকক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বঁটা প্ৰদানৰ বাবে নাম ঘোষণা কৰিছে। ২০২৫ বৰ্ষৰ শিল্পী বঁটা স্বনামধন্য কণ্ঠশিল্পী ড০ অনিমা চৌধুৰী, বিশিষ্ট লোকশিল্পী মুকুল ৰাভালৈ আগবঢ়োৱা হৈছে। সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা অভিনেত্ৰী হীৰা নেওগক প্ৰদান কৰা হ'ব। ভীমবৰ দেউৰী বঁটা আগবঢ়োৱা হৈছে বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মক। নটসূৰ্য ফণী শৰ্মা বঁটা আগবঢ়োৱা হৈছে বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনক। আজি এক বিবৃতিযোগে ৰাজ্য চৰকাৰে এই কথা ঘোষণা কৰিছে। গোলাঘাটত ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰিবলগীয়া শিল্পী দিৱসত বঁটাসমূহ প্ৰদান কৰা হ'ব। বিবৃতিত উল্লেখ কৰা মতে, অসমৰ সংগীত জগত, শিল্প-সাহিত্য আৰু অভিনয় জগতলৈ বিৰল অৱদান আগবঢ়োৱা এই সকল স্বনামধন্য কলাৰ পূজাৰীক প্ৰদান কৰা প্ৰতিটো বঁটাত নগদ ২ লাখ টকা আৰু অংগবস্ত্ৰ থাকিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলৰ চেলা হ্ৰদত বৰফত আৱদ্ধ

আবৃত চেলা হ্ৰদত খোজ কাঢ়ি গৈ থাকোঁতে হঠাতে বৰফ ভাঙি বৰফৰ মাজত আৱদ্ধ হৈ পৰে এদল পৰ্যটক। ইতিমধ্যে এই ঘটনাৰ এটা ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে, য'ত দেখা গৈছে যে একাংশ পৰ্যটক বৰফৰ মাজত আবদ্ধ হৈ আছে, আনহাতে ওচৰতে থিয় হৈ থকা লোকসকলে তেওঁলোকক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিছে। স্থানীয় লোক আৰু অন্যান্য পৰ্যটকসকলে ৰছী ব্যৱহাৰ কৰি আৱদ্ধ পৰ্যটক কেইজনক নিৰাপদ স্থানলৈ উলিয়াই আনিবলৈ সক্ষম হয়। সামাজিক মাধ্যমত এই ভিডিঅ'টো শ্বেয়াৰ কৰি বৰফৰ সৌন্দৰ্য উপভোগ কৰিবলৈ যোৱাৰ সময়ত পৰ্যটকসকলক সাৱধান হ'বলৈ আহ্বান জনাইছে কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱেও। ইফালে এই ঘটনাৰ এজন প্ৰত্যক্ষদৰ্শীয়ে ইনষ্টাগ্ৰামত নিজৰ অভিজ্ঞতা প্ৰকাশ কৰি লিখিছে, "চেলা হ্ৰদত খোজ কাঢ়িব নালাগে! বৰফৰ সৌন্দৰ্য্যই হয়তো মন্ত্ৰমুগ্ধ কৰি তুলিব পাৰে, কিন্তু ইয়াৰ তলত হয়তো মাৰাত্মক বিপদে বাট চাই আছে। এটা পৰ্যটকৰ দল কিদৰে বৰফ ভাঙি সোমাই পৰিছিল, সেই ঘটনাৰ মই নিজেই সাক্ষী।" প্ৰণিধানযোগ্য যে, স্থানীয় প্ৰশাসন আৰু গাইডসকলে পৰ্যটকক চেলা হ্ৰদৰ বৰফত খোজ কাঢ়িব নালাগে বুলি বাৰে বাৰে সকীয়নি প্ৰদান কৰি আহিছে। কিন্তু ইয়াৰ পিছতো একাংশ পৰ্যটকে এই নিষেধাজ্ঞাক অৱজ্ঞা কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছাৰ্ভিছ বন্দুকে ডিব্ৰুগড়ত কাঢ়িলে

জোকাৰি গ'ল ডিব্ৰুগড়। ডিব্ৰুগড়ৰ এগৰাকী অতিৰিক্ত আৰক্ষী বিষয়াৰ দেহৰক্ষী হিচাপে কৰ্মৰত মাধৱ চুতীয়া নামৰ আৰক্ষী কনিষ্টবলজনৰ আকস্মিক মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি আজি সমগ্ৰ জিলাখনতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ডিব্ৰুগড় মহানগৰৰ আৰক্ষী ছাউনীৰ চৰকাৰী আবাসত পত্নী-পুত্ৰৰ সৈতে আছিল লেন্স নায়ক মাধৱ চুতীয়া। তিতাবৰৰ বৰহোলাৰ নিবাসী মাধৱে আজি পুৱাই নিজৰ কৰ্মস্থলীলৈ যোৱাৰ সময়তে সংঘটিত হয় এই কৰুণ ঘটনা। ঘটনাৰ বিৱৰণী অনুসৰি নিজৰ চাৰ্ভিছ এ কে ৪৭ বন্দুকটো চাফা কৰি থকাৰ সময়তে অকস্মাতে বন্দুকৰ ট্ৰিগাৰত হাত লাগি যোৱাত বন্দুকৰ গুলী বাহিৰ হৈ আৰক্ষী কনিষ্টবলজনৰ বুকুত লাগি পিঠিয়েদি ওলাই যায় আৰু সন্মুখৰ টিভিত ফুটা কৰি ৱালত পৰেগৈ গুলীটো। ঘটনাৰ লগে লগে আৰক্ষী কনিষ্টলবজন ঢলি পৰে আৰু 'মোৰ গুলী লাগিছে, মোক বছা বছা বুলি' মৰণকাতৰ চিঞৰ মৰাত পৰিয়ালৰ লোক ঘটনাস্থলীত সমবেত হয়। ইয়াৰ লগে লগে মাধৱক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসালয় পোৱাৰ পূৰ্বে মাধৱ চুতীয়াৰ মৃত্যু হয়। জানিব পৰা মতে, ডিব্ৰুগড় জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক চিজল আগৰৱালাৰ দেহৰক্ষী হিচাপে কৰ্মৰত মাধৱে খাকী পোছাকযোৰ পিন্ধি কৰ্মস্থলীলৈ বুলি প্ৰস্তুতি চলাইছিল। পুৱা আধ্যাত্মিক গীত শুনি শুনি চাৰ্ভিছ বন্দুকটো চাফা কৰি আছিল মাধৱে। বন্দুকৰ নলীটো বুকুত লগাই পৰিস্কাৰ কৰি থকাৰ সময়তে ট্ৰিগাৰত অকস্মাতে হাত লগাৰ ফলতে শিহৰণকাৰী ঘটনাটো সংঘটিত হয়। আজি পুৱা প্ৰায় ৮ বজাত সংঘটিত হোৱা ঘটনাৰ ফলত মাধৱৰ বাসগৃহ ৰক্তাক্ত হৈ পৰে। ইফালে নিজৰ দেহৰক্ষীক আকস্মিকভাৱে হেৰুৱাই শোকবিহ্বল হৈ পৰে জিলা আৰক্ষী অধীক্ষক চিজল আগৰৱালা। অতি অমায়িক আৰু ভদ্ৰ মনৰ আৰক্ষী কনিষ্টবলজনৰ মৃত্যুৰ ঘটনাত সমগ্ৰ আৰক্ষী ছাউনীতে শোকৰ ছাঁ পৰিছে। অন্যহাতে আজি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত আৰক্ষী কনিষ্টলবজনৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছতে তিতাবৰ বৰহোলাৰ বাসগৃহলৈ মৃতদেহ লৈ যোৱা হয়। এই দুখজনক ঘটনাটোত ডিব্ৰুগড় চহৰ আৰু তিতাবৰৰ লগতে ৰাজ্যতে শোকৰ ছাঁ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চোৰাং তেল! আকৌ নিহত এজন

সেয়া পুনৰ স্পষ্ট হৈ পৰিছে। বিশেষকৈ আৰক্ষী প্ৰশাসনৰ দুৰ্বল ভূমিকাৰ সুযোগ গ্ৰহণ কৰি এটা চক্ৰই পেট্ৰ'ল-ডিজেলৰ চোৰাং বেহা চলাই জেপ গধূৰ কৰিবলৈ গৈ এই পৰ্যন্ত দুজনৰ প্ৰাণ হানি হৈছে। বিগত বৰ্ষত চোৰাং তেল সৰবৰাহ কৰা এখন ট্ৰেংকাৰত এজন জীৱন্তে অগ্নিদগ্ধ হৈ প্ৰাণহানি হোৱাৰ পিছত আজি পুৱতি নিশা এজন যুৱকৰ মৃত্যু হয়। এই চাঞ্চল্যকৰ ঘটনা সংঘটিত হয় শিৱসাগৰ বেতবাৰী কাকতী গাঁৱত। আজি পুৱা বেতবাৰী কাকতি গাঁৱৰ মনোজ দত্ত নামৰ ব্যক্তিজনৰ ঘৰৰ চৌহদত অবৈধভাৱে মজুত কৰি ৰখা ডিজেল ভৰ্তি টেংকি তথা এটা চিনটেক্সৰ ভিতৰত উদ্ধাৰ হয় ক্ষণিক বৰুৱা (১৯) নামৰ এজন যুৱকৰ মৃতদেহ। আৰক্ষীয়ে এহেজাৰ লিটাৰৰ এটা চিনটেক্স কাটি উদ্ধাৰ কৰে চোৰাং তেলৰ বেহাৰ সৈতে জড়িত ক্ষণিক বৰুৱাৰ নিথৰ দেহ। প্ৰাপ্ত তথ্য অনুসৰি পুৱতি নিশা এখন বিলাসী বাহনত ক্ষণিক বৰুৱা গৈছিল মনোজ দত্তৰ ঘৰৰ চৌহদলৈ। মনোজ দত্তৰ ঘৰৰ চৌহদত থকা ডিজেলভৰ্তি টেংকিটোত চোৰাং তেল ভৰাবলৈ গৈছিল নে আনিবলৈ গৈছিল সেয়া নিশ্চিতকৈ জানিব পৰা হোৱা নাই যদিও টেংকিটোৰ ভিতৰৰ পৰা মৰণ কাতৰ চিঞৰ মাৰিছিল ক্ষণিক বৰুৱাই। তাৰ পিছতে অসুস্থ মনোজ দত্তই পুৱতি নিশাই টেংকীটোৰ ওচৰলৈ যাওঁতে ক্ষণিক বৰুৱাৰ নিথৰ দেহ প্ৰত্যক্ষ কৰে। পিছত আৰক্ষীক খবৰ দিয়াত পুৱা ৮ বজাত কোৱামৰা সত্ৰৰ ক্ষণিক বৰুৱাৰ মৃতদেহ উদ্ধাৰ কৰে। মনোজ দত্তই সদৰি কৰা অনুসৰি তেওঁৰ পুত্ৰ কৌস্তুভ দত্ত আৰু সমবয়সীয়া ক্ষণিক বৰুৱাই বিগত কিছুদিনৰ পৰা চোৰাং তেলৰ ব্যৱসায় চলাই আছিল। অবৈধভাৱেই মজুত কৰিছিল বৃহৎ পৰিমাণৰ ডিজেল। যোৱা নিশাও তেনে কাৰবাৰ কৰিবলৈকে ক্ষণিক বৰুৱা কাকতি গাঁৱৰ মনোজ দত্তৰ বাসগৃহৰ চৌহদলৈ গৈছিল। তেনেতে সংঘটিত হয় অঘটন। ক্ষণিক বৰুৱাক প্ৰকৃততে হত্যা কৰি ডিজেল ভৰ্তি টেংকিত ভৰাই দিছিল নে ডিজেল ভৰ্তি টেংকিত সোমাই তেল উলিয়াই থাকোঁতে শ্বাস-প্ৰশ্বাস বন্ধ হৈ মৃত্যু মুখত পৰে সেয়া জানিব পৰা নাই। মৰণোত্তৰ পৰীক্ষাৰ পিছতহে সেয়া পোহৰলৈ আহিব। অন্যহাতে পুৱা ক্ষণিক বৰুৱাৰ মৃতদেহ শিৱসাগৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কল্পজ্যোতি শৰ্মাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে চিনটেক্সৰ ভিতৰৰ পৰাৰ উলিয়াই মৰণোত্তৰ পৰীক্ষাৰ বাবে জয়সাগৰস্থিত অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইপিনে তেলৰ চোৰাং বেহা চলোৱা সন্দৰ্ভত আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। মনোজ দত্তৰ পুত্ৰ কৌস্তুভ দত্ত আৰু শিৱসাগৰ দৰিকাপাৰ সমীপৰ দিপু গগৈ নামৰ এজনক গ্ৰেপ্তাৰ কৰি আৰক্ষীয়ে জেৰা চলাইছে। দুয়োজনেই চোৰাং তেলৰ বেহা চলাই মুনাফা লুটি আহিছিল। এই দুয়োজনেই বেতবাৰী কাকতি গাওঁ আৰু শিৱসাগৰ দৰিকা পাৰৰ সমীপত অবৈধ পেট্ৰ'ল-ডিজেলৰ ঘাটি গঢ়ি তুলি ভিন্ন প্ৰান্তলৈ সৰবৰাহ কৰিছিল। এই চোৰাং তেলৰ ব্যৱসায়ৰ বাবেই প্ৰাণ গ'ল ক্ষণিক বৰুৱাৰ। আৰক্ষীয়ে এই পৰ্যন্ত মাত্ৰ দুজনকহে গ্ৰেপ্তাৰ কৰিছে যদিও এতিয়াও ৰৌ-বৰালি জালত পৰিবলৈ বাকী আছে। উল্লেখ্য যে বেতবাৰী কাকতি গাওঁ, শুকান পুখুৰী, দিচাংঘাট আদি অঞ্চলত দীৰ্ঘদিনৰে পৰা চোৰাং তেলৰ ঘাটি পাতি আহিছিল অসাধু চক্ৰই। অথচ নীৰৱ দৰ্শক হৈ আহিছিল আৰক্ষী প্ৰশাসন। অনাগত দিনত তেল চুৰি চক্ৰ, তেলৰ চোৰাং বেহা চলোৱাসকলক সম্পূৰ্ণ উৎখাত কৰিবলৈ আৰক্ষী সক্ষম হ'ব নে নহয় সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মিজো-ম্যানমাৰ সীমান্তত নিয়ম সলনি

যাত্ৰা কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি ৩১ ডিচেম্বৰৰ পৰা এই নিয়ম কাৰ্যকৰী হৈছে। নতুন নিয়ম অনুসৰি সীমান্ত পাছ অবিহনে ভাৰতৰ পৰা ম্যানমাৰ বা ম্যানমাৰৰ পৰা ভাৰতলৈ প্ৰৱেশ সম্ভৱ নহ'ব। আনহাতে এই পাছ কেৱল ৭ দিনৰ বাবে বৈধ হ'ব আৰু সীমান্তত প্ৰৱেশ আৰু প্ৰস্থান স্থানত দেখুৱাব লাগিব। চম্পাই জিলা আৰক্ষীৰ এক অধিসূচনাত উল্লেখ কৰা অনুসৰি, এই পাছ পাবলৈ আবেদনকাৰীয়ে সীমান্তৰ পৰা ১০ কিলোমিটাৰৰ ভিতৰত থকা বুলি প্ৰমাণ দেখুৱাব লাগিব। পাছ লাভ কৰিবলৈ স্থানীয় আৰক্ষী থানাৰ অ'চি, গাঁওবুঢ়া, বা চৰকাৰী স্বীকৃতিপ্ৰাপ্ত প্ৰশাসনিক বিষয়াৰ পৰা স্বাক্ষৰিত নথি দাখিল কৰিব লাগিব। লক্ষণীয় যে, সীমান্তত প্ৰৱেশ আৰু প্ৰস্থান পইণ্ট সোমবাৰৰ পৰা শনিবাৰলৈ পুৱা ৬:০০ বজাৰ পৰা বিয়লি ৩:৩০ বজালৈ খোলা থাকিব। প্ৰাপ্তবয়স্কৰ বাবে সুকীয়া পাছৰ প্ৰয়োজন হ'ব, কিন্তু শিশুসকলক পিতৃ-মাতৃৰ পাছৰ সৈতে অন্তৰ্ভুক্ত কৰিব পাৰিব। তিনিটাতকৈ অধিক শিশুৰ বাবে নতুন পাছ প্ৰদান কৰা হ'ব। এই নিয়ম কাৰ্যকৰী কৰিবলৈ মিজোৰাম আৰক্ষী, অসম ৰাইফলছ আৰু স্বাস্থ্য বিভাগৰ জোৱানসকলে একেলগে কাম কৰি আছে। নতুন নিয়ম অনুসৰি এই চৰ্ত উলংঘা কৰিলে যিকোনো ব্যক্তিৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# হেলিকপ্টাৰ দুৰ্ঘটনা, নিহত

দেওবাৰে পুৱা পোৰবন্দৰত সংঘটিত এই ভয়াবহ দুৰ্ঘটনাত মৃত্যু ঘটে তিনিজন লোকৰ। প্ৰশিক্ষণৰ সময়ত হঠাৎ ভূপতিত হয় এ এল এইচ-ধ্ৰুৱ নামৰ উপকূলৰক্ষীৰ হেলিকপ্টাৰখন। ইয়াৰ পিছতে নিমিষতে জুইৰ শিখাই আগুৰি ধৰে হেলিকপ্টাৰখন। এই ঘটনাত আন দুজন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাৰ পিছত আহত দুজনক উদ্ধাৰ কৰি ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। অৱশ্যে এই হেলিকপ্টাৰ দুৰ্ঘটনাৰ কাৰণ এতিয়াও প্ৰকাশ কৰা নাই উপকূলৰক্ষীয়ে। উল্লেখ্য যে, এই এ এল এইচ-ধ্ৰুৱ হেলিকপ্টাৰখন নিৰ্মাণ কৰিছিল হিন্দুস্তান এৰ'নটিক্স লিমিটেড (এইচ এ এল)য়ে। এই হেলিকপ্টাৰখন লঘু আৰু অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত তথা সামৰিক আৰু বাণিজ্যিক ব্যৱহাৰৰ বাবে উপযোগী। ২০০২ চনৰ পৰা ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ সৈতে সেৱাত থকা এই হেলিকপ্টাৰখন পৰিবহণ, অনুসন্ধান আৰু উদ্ধাৰ অভিযান, চিকিৎসা আৰু সাহায্য সামগ্ৰীৰ দৰে জটিল কামত ব্যৱহাৰ কৰা হৈ আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধুৰীৰ আপত্তিকৰ মন্তব্য

এটা ভাইৰেল ভিডিঅ'ত বিজেপি নেতাজনে কংগ্ৰেছৰ সাংসদ প্ৰিয়ংকা গান্ধীৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ বিতৰ্কৰ। দিল্লী বিধানসভা নিৰ্বাচনৰ পূৰ্বে দলটোৱে দিয়া প্ৰতিশ্ৰুতি সন্দৰ্ভত মন্তব্য কৰাৰ সময়তে এই বিতৰ্কিত মন্তব্য কৰে বিধুৰীয়ে। উল্লেখ্য যে, আগন্তুক দিল্লীৰ বিধানসভা নিৰ্বাচনত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ঘনিষ্ঠ সহযোগী আপ নেতা তথা মুখ্যমন্ত্ৰী আতিশীৰ বিৰুদ্ধে কলকাজী বিধানসভা সমষ্টিৰ পৰা বিজেপি প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব ৰমেশ বিধুৰীয়ে। কংগ্ৰেছ নেত্ৰী সুপ্ৰিয়া শ্ৰীনেটে বিধুৰীৰ এই বক্তব্যক লজ্জাজনক বুলি অভিহিত কৰি বিজেপিৰ নাৰী বিদ্বেষী মানসিকতাৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "প্ৰিয়ংকা গান্ধীক লৈ ৰমেশ বিধুৰীয়ে কৰা মন্তব্য কেৱল লজ্জাজনক নহয়, ইয়াৰ দ্বাৰা মহিলাৰ প্ৰতি তেওঁৰ অশ্লীল মানসিকতাও প্ৰকাশ পাইছে। সংসদত সহযোগী সাংসদৰ বিৰুদ্ধে গালি-গালাজ কৰা আৰু তথাপিও কোনো শাস্তি নোপোৱা ব্যক্তিৰ পৰা আৰু কি আশা কৰিব পাৰি?" ইফালে আপৰ সাংসদ সঞ্জয় সিঙেও এই মন্তব্যক গৰিহণা দি কয়, "এইজন বিজেপিৰ প্ৰাৰ্থী। তেওঁলোকৰ ভাষা শুনক। এইটো বিজেপিৰ মহিলাৰ প্ৰতি সন্মান নেকি? দিল্লীৰ মহিলাসকল এনে নেতাৰ হাতত সুৰক্ষিত নে?" ইফালে এই বিতৰ্কৰ পিছতে নিজৰ পক্ষ লৈ এই মন্তব্যক বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালুপ্ৰসাদ যাদৱে হেমা মালিনীক লৈ কৰা মন্তব্যৰ সৈতে তুলনা কৰে বিধুৰীয়ে। বিজেপি নেতাজনে লগতে কয়, "মই যি কৈছিলো সেয়া পূৰ্বৰ এটা মন্তব্যৰ উল্লেখ কৰি আছিল। আমিও তেওঁলোকে ব্যৱহাৰ কৰা একেটা ভাষাতে উত্তৰ দিম।" তথাপিও তেওঁ ছ'চিয়েল মিডিয়াত "আক্ষেপ" প্ৰকাশ কৰি কয় যে, "মোৰ মন্তব্যত যদি কোনোবাই আঘাত পাইছে, তেন্তে মই দুঃখিত।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটী অভিমুখী এয়াৰ

বিমানখন। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ৰাণৱেত চৰাইৰ জাক পৰ্যবেক্ষণ কৰাৰ পিছতে নতুন দিল্লীৰ পৰা গুৱাহাটী অভিমুখী এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছ বিমানখন কলকাতালৈ ডাইভাৰ্ট কৰা হয়। এই সতৰ্কতামূলক সিদ্ধান্তই সকলো যাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰে, বিমানখন নিৰাপদে কলকাতাত অৱতৰণ কৰে প্ৰায় ৪:১০ বজাত। সংবাদ মাধ্যমৰে হোৱা কথা-বতৰাত এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ কৰ্পৰেট কমিউনিকেশ্যন এণ্ড ছাষ্টেনেবিলিটিৰ মুৰব্বী পি জি প্ৰগীশে স্পষ্ট কৰি দিয়ে যে এই ঘটনাটো নিয়মামাফিক আৰু চিন্তাৰ কোনো কাৰণ নাই। "এইটো এটা অতি স্বাভাৱিক ঘটনা, যিটো ঘটি থাকে। চিন্তা বা আতংকৰ কোনো কাৰণ নাই। দিল্লীৰ পৰা গুৱাহাটীলৈ অহা বিমানখনৰ পাইলটে ৰাণৱেত চৰাইৰ জাকটো দেখি কলকাতালৈ লৈ যোৱাৰ সিদ্ধান্ত লয় আৰু নিৰাপদে অৱতৰণ কৰে।' উল্লেখ্য যে, ইয়াৰ পূৰ্বে চৰাইৰ খুন্দাত বিমানখন কলকাতালৈ ডাইভাৰ্ট কৰা বুলি খবৰ ওলাইছিল। এই খবৰ খাৰিজ কৰি পি জি প্ৰগীশে কয় যে এনে কোনো ঘটনা সংঘটিত হোৱা নাই আৰু পাইলটে কোনো জৰুৰী অৱতৰণৰ কথা ঘোষণা কৰা হোৱা নাই। উল্লেখ্য যে, প্ৰথম অৱস্থাত একাংশ সংবাদ মাধ্যমত মাজ আকাশত বিমানখনৰ পাইলটে ইন্ধন শেষ হোৱাৰ ঘোষণা কৰা বুলি বাতৰি প্ৰকাশ পাইছিল। বাতৰিটোত যিকোনো মুহূৰ্তত পানীত অৱতৰণৰ বাবে পাইলটে জৰুৰী ঘোষণা কৰা বুলিও কোৱা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত বিমান পৰিবহণকাৰী সংস্থাটোৱে সেয়া অস্বীকাৰ কৰে। অৱশ্যে এতিয়ালৈকে প্ৰকৃত সত্য কি সেয়া নিশ্চিত কৰিব পৰা হোৱা নাই। ইফালে, এই ঘটনাটোৱে বিমানখনৰ যাত্ৰীসকলৰ লগতে যাত্ৰীসকলৰ পৰিয়ালৰ লোকসকলকো বহুসময় ধৰি উদ্বিগ্ন কৰি তোলে।

# তিনিচুকীয়াত বিষয়াৰে ৰাজ্যপালৰ পৰ্যালোচনা বৈঠক

**ই-সংবাদ, ডুমডুমা, ৫ জানুৱাৰীঃ** অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি বিয়লি ৪ বজাত বাণিজ্যিক চহৰ তিনিচুকীয়াত উপস্থিত হৈ বৰগুৰিস্থিত জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন আন্ত:বিভাগীয় পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই চৰকাৰৰ প্ৰতিটো বিভাগৰ জিলা মুৰব্বী বিষয়াসকলৰ সৈতে প্ৰত্যক্ষভাৱে উন্নয়নমূলক কাম-কাজৰ বুজ লোৱাৰ লগতে ইয়াৰ উৎকৰ্ষ সাধনৰ বাবে কেতবোৰ ভালেমান গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। চৰকাৰী আঁচনিসমূহৰ সা-সুবিধা প্ৰতিজন যোগ্য ব্যক্তিয়ে পোৱাটো নিশ্চিত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। এই সন্দৰ্ভত তেখেতে কয় , " আমি কামবোৰ ভয় বা বাধ্যত পৰি নহয়, আগ্ৰহ বা সেৱাৰ মনোভাৱেৰে কৰিব লাগে। এনে কাম কৰাৰ সুযোগ পোৱাটোক পৰম সৌভাগ্য হিচাপে গণ্য কৰিব লাগে। " সভাৰ আৰম্ভণিতে জিলা আয়ুক্ত স্বপ্নীল পালে ৰাজ্যপালগৰাকীক ফুলাম গামোছা, শৰাই আৰু ফুলৰ থোপাৰে উষ্ণ আদৰণি জনায়। লগতে আয়ুক্ত পালে তিনিচুকীয়া জিলাখনৰ এটি সংক্ষিপ্ত পৰিচয়ো দাঙি ধৰে। আজিৰ সভাত ৰাজ্যৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ( কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা ) ৰ মন্ত্ৰী ৰূপেশ গোৱালা, প্ৰাক্তন মন্ত্ৰী তথা তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিশান, মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা, চাবুৱা সমষ্টিৰ বিধায়ক পোণাকন বৰুৱা, মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপ, শদিয়া আৰক্ষী জিলাৰ অধীক্ষক জগদীশ দাস, জিলা উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গুৰনীল সিঙৰ উপৰিও সকলো অতিৰিক্ত আয়ুক্ত আৰু বিভাগীয় মুৰব্বী বিষয়াসকল উপস্থিত থাকে। সভাৰ অন্তত ৰাজ্যপাল আচাৰ্যই সাংবাদিকসকলক সম্বোধন কৰি নিজৰ ভ্ৰমণৰ উদ্দেশ্যৰ বিষয়ে চমুকৈ কয়। উল্লেখ্য যে, গুৱাহাটীৰ পৰা আজি বিমানযোগে ডিব্ৰুগড়ত উপস্থিত হোৱাৰ পিছতে তাৰ পৰা গাড়ীৰে আহি তিনিচুকীয়াত উপস্থিত হোৱা ৰাজ্যৰ ৰাজ্যপালগৰাকীয়ে পুনৰ ডিব্ৰুগড়লৈ উভতি যায়। আজিৰ নিশাটো ৰাজ্যপালগৰাকীয়ে ডিব্ৰুগড়ৰ 'আৱৰ্ত ভৱন'তে কটাব। ইফালে, ৰাজ্যপালগৰাকীৰ এই ভ্ৰমণত তিনিচুকীয়া চহৰত আজি বিশেষ ব্যস্ততা পৰিলক্ষিত হয়।

## তামুলপুৰ জিলা এনপিএছ কৰ্মচাৰী সংস্থাৰ অধিৱেশন

# অ'পিএছ নিদিয়া পৰ্যন্ত আন্দোলন চলাই যোৱাৰ হুংকাৰ

**ই-সংবাদ, তামুলপুৰ, ৫ জানুৱাৰীঃ** সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থা তামুলপুৰ জিলাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন আৰু মুকলি সভাৰ সফল সামৰণি পৰে। তামুলপুৰ মহাবিদ্যালয়ত আজি এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা মুকলি সভাখনত সভাপতিত্ব কৰে তামুলপুৰ জিলা সমিতিৰ সভাপতি কবিন চন্দ্ৰ বড়োৱে। মুকলি সভাখনত অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ উপ সভাপতি মছিউজ জামালে কয়, চৰকাৰে আমাক দয়া কৰা নায়, আমি সকলোৱে যোগ্যতাৰ ভিত্তিত হে চৰকাৰী চাকৰি পাবলৈ সক্ষম হৈছো। যেতিয়ালৈকে আমাক অ'পিএছ নিদিয়ে তেতিয়ালৈকে এনপিএছ সন্থাই ধাৰাবাহিকভাবে গণতান্ত্ৰিক আন্দোলন চলাই যাব। আমি গণতান্ত্ৰিকভাৱে আন্দোলন কৰিলেহে আমি আমাৰ প্ৰাপ্য অধিকাৰ আদায় কৰিবলৈ সক্ষম হম। তামুলপুৰ জিলাৰ আয়ুক্ত পঙ্কজ চক্ৰৱৰ্তীয়ে উদ্বোধন কৰা মুকলি সভাখনত নিৰ্দিষ্ট অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ যুতীয়া সম্পাদক ৰমেন বৰ্মনে কয়, আমাক এনপিএছ ও নালাগে ইউপিএছ ও নালাগে আমাক লাগে অ'পিএছ। সেয়েহে আমি এনপিএছৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিব লাগে। চৰকাৰে এনপিএছ কৰ্মচাৰীৰ দুখ বুজি পাব লাগে। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সন্থাৰ কোষাধ্যক্ষ আব্দুল ৰ'ফ আহমেদে কয় যে, কৃষকসকল চৰকাৰৰ বাধ্য নহয়, কৃষকসকলক কৃষিকৰ্ম কৰিবলৈ চৰকাৰে বাধ্য কৰাব নোৱাৰে। ইয়াৰ বিপৰীতে আমি চৰকাৰী কৰ্মচাৰী চৰকাৰৰ হে কাম কৰো। ইয়াৰ পিছতো যদি কৃষকসকলে চৰকাৰক আঠু লবলৈ বাধ্য কৰাব পাৰে তেন্তে আমি চৰকাৰৰ হে কাম কৰিও চৰকাৰক কিয় বাধ্য কৰাব নোৱাৰিম। আজিৰ এই দিনজোৰা কাৰ্যসূচীত সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ সম্পাদক অপুৰ্ব শৰ্মাৰ লগতে কোকৰাঝাৰ, বাগছা, ৰঙিয়া, নলবাৰী আদিকে ধৰি কেইবাখনো জিলাৰ এনপিএছ কৰ্মচাৰী সন্থাৰ সভাপতি সম্পাদক সহ প্ৰতিনিধিসকল উপস্থিত আছিল।



তামুলপুৰ জিলা এনপিএছ কৰ্মচাৰী সংস্থাৰ অধিৱেশনৰ এটি মুহূৰ্ত, দেওবাৰে, ফটোঃ ই-সংবাদ, তামুলপুৰ

# অসম নেপালী সাহিত্য সভাৰ কামৰূপ জিলা সমিতিৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, গুৱাহাটী, ৫ জানুৱাৰীঃ** অসম নেপালী সাহিত্য সভাৰ কামৰূপ জিলা সমিতি আৰু বকো শাখা সমিতিৰ সহযোগত অসম নেপালী সাহিত্য সভাৰ ৫২ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি (৪ জানুৱাৰী) বকো অঞ্চলৰ গোৰ্খা ভৱন, ডাকুৱাপাৰা (নেপালী বস্তিত)ত উদযাপন কৰে। অসম নেপালী সাহিত্য সভাৰ কামৰূপ জিলা সমিতিৰ সভাপতি দুৰ্গা নাৰায়ণ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা সাৱলীলভাৱে দাঙি ধৰে সম্পাদক এগৰাজ ছেত্ৰীয়ে। অনুষ্ঠানত উপস্থিত থাকে কামৰূপ জিলা সমিতিৰ উপদেষ্টা গোপাল শৰ্মা, উদয় ছেত্ৰী, কামৰূপ জিলা মহিলা গোটৰ সভাপতি লক্ষ্মী সুবেদী, বকো শাখাৰ সভাপতি গোপাল যোশী, সম্পাদক ঘনশ্যাম উপধ্যায়, বকো গোৰ্খা সমাজৰ গণেশলাল ছেত্ৰী, গোৰ্খা কল্যাণ সমিতিৰ প্ৰাক্তন সভাপতি দুৰ্গা প্ৰসাদ শৰ্মা আদি উপস্থিত থাকে। কাৰ্যসূচীমতে প্ৰথমতে অসম নেপালী সাহিত্য সভাৰ পতাকা উত্তোলন কৰে সভাৰ কামৰূপ জিলা সমিতিৰ সভাপতি দুৰ্গা নাৰায়ণ শৰ্মাই। বকো শাখাৰ সভাপতি গোপাল যোশীয়ে স্মৃতি তৰ্পন আগবঢ়োৱাৰ পিছতে মুকলি সভা আৰম্ভ হয়। সভাৰ আদিতে অলপতে অসম নেপালী সাহিত্য সভাৰ সকলোৰে পৰিচিত যুৱ সাহিত্যিক তথা সংবাদকৰ্মী চন্দন ছেত্ৰীৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময়ৰ মৌনতা অৱলম্বন কৰে। সভাত উপস্থিত থকা নবীন প্ৰবীণ সাহিত্যিকসকলে নিজৰ কবিতা আবৃত্তি, গায়ন-নৃত্যৰ লগতে ভজন আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰে। ইয়াৰ পিছতে কামৰূপ জিলা সমিতিৰ মহিলা গোটৰ সভাপতি লক্ষ্মী সুবেদি আৰু কামৰূপ জিলা সমিতিৰ উপদেষ্টা গোপাল শৰ্মাই সভাত বক্তব্য দাঙি ধৰি সাম্প্ৰতিক সময়ৰ সাহিত্যৰ ক্ষেত্ৰখনৰ ওপৰত বক্তব্য দাঙি ধৰে। সভাখনত বহু বিশিষ্ট ব্যক্তিৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

## কলগাছিয়াত পানীত পৰিল ৩০ কোটি টকা

# গৰু-ছাগলীৰ চৰণীয়া পথাৰত পৰিণত স্কুল



**ই-সংবাদ বিশেষ, কলগাছিয়া ৫ জানুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়াৰ কৰাৰকুৰত ২০২১ চনত আধাৰশিলা স্থাপন কৰা আদৰ্শ বিদ্যালয়ৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ ৪ বছৰ অতিক্ৰম কৰাৰ পিছতো পাঠদান প্ৰক্ৰিয়া চালু নোহোৱাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৩০ কোটি টকীয়া বিদ্যালয়ৰ ভৱন, ছাত্ৰ-ছাত্ৰীৰ হোষ্টেল গৃহ, ৰান্ধনিশালকে ধৰি বিদ্যালয়ৰ চৌহদটো বৰ্তমান ভুত-বাংলাত পৰিণত হৈছে। মানুহ নথকাৰ সুযোগ লৈ বিদ্যালয়খনত চুৰি কাৰ্য্য সংগঠিত হোৱাৰো অভিযোগ উথাপিত হৈছে। কলগাছিয়াৰ কৰাৰকুৰত নৱনিৰ্মীত শিক্ষা অনুষ্ঠান এটাক কহুঁৱা বন জংঘল, শিমুল গছ আদিয়ে ছানি ধৰাৰ লগতে গৰুৰ চৰণীয়া পথাৰলৈ ৰূপান্তৰিত হোৱাত ৰাইজ হতভম্ব হৈ পৰিছে। উল্লেখ্য যে, উক্ত বিদ্যালয়খন ২০২১ চনত সেই সময়ৰ মন্ত্ৰী ৰনজিৎ দত্তই সাংসদ আব্দুল খালেক, সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাস আৰু জনীয়া সমষ্টিৰ বিধায়ক হাফিজ ৰফিকুল ইছলামৰ উপস্থিতিত আধাৰশিলা স্থাপন কৰিছিল আৰু কাম সমাপ্ত হোৱাৰ এবছৰ পিছতেই পাঠদান আৰম্ভ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰিছিল। কিন্তু কাম সমাপ্ত হোৱাৰ ৪ বছৰ অতিক্ৰম কৰিলে যদিও আজিলৈকে বিদ্যালয়খনত আৰম্ভ নহ'ল পাঠদান। এইক্ষেত্ৰত শিক্ষা বিভাগৰ দৃষ্টিগোচৰ কামনা কৰি সোনকালে বিদ্যালয়ৰ পাঠদান আৰম্ভ কৰাৰ বাবে আমছুৰ প্ৰতিনিধিৰ লগতে শিক্ষানুৰাগী মহলে মুখ্যমন্ত্ৰীক আহ্বান জনাইছে।

# ছাত্তাৰ আলীৰ মৃত্যু, শোকৰ ছাঁ

**ই-সংবাদ, শিমলীতোলা, ৫ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ভাতনাপাইতি চৰৰ নিবাসী আলহাজ ছাত্তাৰ আলীয়ে আজি বাৰ্ধক্যজনিত কাৰণত আনুমানিক ৭০ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। তেওঁৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোঁকৰ ছাঁ পৰিছে। হাজাৰবো অধিক লোকৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন হয়। জানাজা নামাজৰ শেষত অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলে শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে।

# মুছলপুৰত অসম জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ স্বাস্থ্য পৰামৰ্শ শিবিৰ আৰু সজাগতা সভা

**ই-সংবাদ, মুছলপুৰ, ৫ জানুৱাৰীঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ অন্তৰ্গত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ, অসমৰ উদ্যোগত আজি বাক্সা জিলাৰ মুছলপুৰত জ্যেষ্ঠ নাগৰিকৰ বাবে স্বাস্থ্য পৰামৰ্শ শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত হয়। মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজন কৰা স্বাস্থ্য পৰামৰ্শ শিবিৰত অভিজ্ঞ চিকিৎসকৰ দ্বাৰা চাৰি শতাধিক জ্যেষ্ঠ নাগৰিকক স্বাস্থ্যৰ বুজ লৈ পৰামৰ্শ প্ৰদান কৰাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। পুৱা ৯ বজাৰ পৰা আৰম্ভ হোৱা উক্ত বিনামূলীয়া চিকিৎসা শিবিৰৰ ফিটা কাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ অধ্যক্ষ ড০ প্ৰদীপ ঠাকুৰীয়াই। উক্ত স্বাস্থ্য পৰামৰ্শ শিবিৰৰ পাছত দিনৰ ভাগত এখন বৃহৎ সজাগতা সভা অনুষ্ঠিত হয়। মুছলপুৰৰ সাংবাদিক জিন্টুমণি দাসে আঁত ধৰা সভাখনত বন্তি প্ৰজ্বলন কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আৰু বাক্সা জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সভাপতি ব্ৰজমোহন কলিতাই। উক্ত সজাগতা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বাক্সা জিলাত শীঘ্ৰেই জ্যেষ্ঠ নাগৰিক সকলৰ বাবে পাঁচ লাখ টকা ব্যয় সাপেক্ষে এটি শৰীৰ চৰ্চা কেন্দ্ৰ মুকলি কৰা হ'ব বুলি ঘোষণা কৰে। সভাত ভাষণ প্ৰদান কৰি জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদ, অসমৰ অধ্যক্ষ ড০ প্ৰদীপ ঠাকুৰীয়াই জ্যেষ্ঠ নাগৰিক সকলক পাঁচ লাখ টকাৰ আয়ুস্মান আৰোগ্য কাৰ্ড প্ৰদান কৰা বাবে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়। যিকোনো ধৰণৰ চৰকাৰী চিকিৎসালয়ত ৭০ বছৰ উৰ্দ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকে উক্ত চিকিৎসা সাহায্য পাব বুলি তেওঁ উল্লেখ কৰে। উক্ত সজাগতা সভাতে সমাজ জীৱনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে বাক্সাৰ জ্যেষ্ঠ নাগৰিক ক্ৰমে ধজেন পাঠক, লাৱন্য দাস, সন্ধ্যা দাস, পুষন বাহাদুৰ চেত্ৰী আৰু ভুবন সিং ব্ৰহ্মক অসম জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সজাগতা সভাত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰধান সম্পাদক প্ৰসন্ন বৰঠাকুৰেও জ্যেষ্ঠ নাগৰিক সকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। উল্লেখ্য যে আজিৰ সজাগতা সভাত জ্যেষ্ঠ নাগৰিকৰ বিশেষজ্ঞ চিকিৎসক ডাঃ বিপুল বৰুৱা, জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ শাখা বিষয়া মুদাচ্ছাৰ নাজাৰ হুচেইন, বাক্সা জিলাৰ অতিৰিক্ত আয়ুক্ত জিতু কুমাৰ বৰ্মণ, বাক্সা জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি বসন্ত কুমাৰ শৰ্মা, সম্পাদক ভৱানন্দ দাসো উপস্থিত আছিল। শিল্পী মহেন্দ্ৰ বড়ো, হৰেন্দ্ৰনাথ কলিতা, বিৰেণ কলিতা আৰু ধীৰেন তালুকদাৰৰ গীত পৰিৱেশনে পাঁচ শতাধিক জ্যেষ্ঠ নাগৰিক উপস্থিত থকা আজিৰ অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আজিৰ অনুষ্ঠান সফলভাৱে সমাপন হোৱাত বাক্সা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক ভৱানন্দ দাসে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# মৰিয়নীৰ গিবন অভয়াৰণ্যত বন্যহস্তীৰ আক্ৰমণত নিহত মহিলা

**ই-সংবাদ, মৰিয়নী, ৫ জানুৱাৰীঃ** যোৰহাট জিলাৰ মৰিয়নীৰ দিহিঙীয়াপাৰ চাহ বাগিচাৰ পৰা গিবন অভয়াৰণ্যত খৰি লুৰিবলৈ গৈছিল পাঁচগৰাকী মহিলা। হঠাৎ খৰি লুৰিবলৈ যোৱা মহিলাসকলক আক্ৰমণ কৰে এটা বন্যহস্তীয়ে। আনহাতে গিবন মাজেদি যোৱা ঐতিহাসিক ধোদৰ আলিতো বন্যহস্তীয়ে আন এগৰাকী লোকক আক্ৰমণ কৰে। আক্ৰমণত আহত হয় মহাবীৰ মাহাতো নামৰ এজন ফেৰীৱালা। বন্যহস্তীৰ আক্ৰমণৰ পৰা নিজকে কথমপি ৰক্ষা কৰি খৰি লুৰিবলৈ যোৱা চাৰিগৰাকী মহিলা আৰু পথচাৰী ফেৰীৱালাজনে প্ৰাণ ৰক্ষা কৰি পলাই আহিবলৈ সক্ষম হয় যদিও দিহিঙীয়াপাৰ পুৰণা লাইনৰ অঞ্জনা চামচি নামৰ মহিলাগৰাকী বৰ্তমানলৈ গিবনৰ মাজতে নিখোজ হৈ পৰে। মহিলাগৰাকীৰ সৈতে যোৱা মাৰিয়ম ৰজক, ৰীতা মাহিলী, পূৰ্ণী কৰ্মকাৰ আৰু চুমন মুণ্ডা সুকলমে নিজ গৃহত উপস্থিত হয়। বন বিভাগে সুকলমে উদ্ধাৰ হোৱা দুগৰাকী মহিলাক লৈ উদ্ধাৰ অভিযান চলাই যদিও অভয়াৰণ্যৰ ভিতৰত এটা মৃতদেহহে উদ্ধাৰ কৰিবলৈ সক্ষম হয় উদ্ধাৰকাৰী দলটোৱে। পিছত মৃতদেহটো বন্যহস্তীৰ আক্ৰমণত নিহত অঞ্জনা চামচিৰ বুলি চিনাক্ত কৰা হয়।



মুছলপুৰত অসম জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ সভাৰ এটি মুহূৰ্ত

# শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী আৰম্ভ

**ই-সংবাদ, বেবেজীয়া, ৫ জানুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত চমুৱাগাঁৱৰ শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ বছৰযোৱাকৈ আয়োজিত শুভাৰম্ভনি অনুষ্ঠানটি শনিবাৰৰ পৰা দুদিনীয়া কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত কৰা হয়। দেওঁবাৰে দ্বিতীয় দিনা পুৱা এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত শিক্ষানুষ্ঠানখনে সগৌৰৱে পঁচিশটা বৰ্ষ গৰকা উপলক্ষে পঁচিশ গছি বন্তি প্ৰজ্বলন কৰাৰ অন্তত আয়তীৰ উৰুলি আৰু খোল-তালৰ মাংগলিক ধ্বনিৰ মাজেৰে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত পঁচিশজনকৈ বৰেণ্য ব্যক্তিৰ দ্বাৰা পঁচিশখন পতাকা উত্তোলন কৰা হয়। ইয়াৰ পিছতে পৰিৱেশ সজাগতাৰ উদ্দেশ্যে শিক্ষানুষ্ঠানখনৰ চৌহদত গছপুলি ৰূপন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে 'সেউজ কোঁৱৰ' খ্যাত প্ৰকৃতি প্ৰেমী ব্যক্তি স্বপন কুমাৰ চৌধুৰীয়ে। এই কাৰ্যসূচীৰ অন্তত এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কবি সঞ্জীৱ সাগৰ চৌধুৰীয়ে আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কিদৰে পঢ়া-শুনাৰ সমান্তৰালভাৱে শৰীৰটো নিৰোগী কৰি ৰাখিব সেই সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ বিপৰীতে আনজন অতিথি ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে ছাত্ৰ-ছাত্ৰীৰ উপযোগী সাৰুৱা বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত শিক্ষানুষ্ঠানখনৰ পৰিচালনা সমিতিৰ সভাপতি মিহিৰাম ভূঞা, উদযাপন সমিতিৰ সভাপতি ধনঞ্জয় কুশ্ৰে আৰু বিদ্যালয়ৰ প্ৰধান আচাৰ্য অজিত চন্দ্ৰ বৰাইও চমু বক্তব্য আগবঢ়াই। অনুষ্ঠানত শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, বিশিষ্ট শিক্ষাবিদ ৰাণা প্ৰকাশ বৰা, অনাতাঁৰ শিল্পী গম্ভীৰ নাথ, শ্ৰমিক নেতা অৰূপ কুমাৰ মহন্ত, যোগ প্ৰশিক্ষক লক্ষ্মী নাৰায়ণ বৰা, সংগীত শিল্পী ৰঞ্জন বেজবৰুৱা, কানু কন্দলী, প্ৰবীন অভিনেতা মোহন শইকীয়া, গাঁও প্ৰধান মনোজ চৌধুৰী, প্ৰবীন শিল্পী মীনা বৰা, সমাজকৰ্মী দিপ্তী খাটনিয়াৰ, খগেন নাথ, দৰ্শন মহন্ত, ধেনুৰাম নাথ, ধীৰেণ ডেকা, ৰিপুঞ্জয় শৰ্মা, চন্দ্ৰ মোহন শইকীয়া, নৰেন ডেকা, পুষ্প নাথ, জয়শ্ৰী পাঠক, ৰঞ্জিত শইকীয়া, ৰাম গোস্বামী, দধিমোহন বৰা, ভবেন নাথ, প্ৰধান চন্দ্ৰ গোস্বামী, ভবেন চন্দ্ৰ মেধী, সাংবাদিক জয়ন্ত মুদৈ, চন্দনজ্যোতি বৰা, বেদব্ৰত ৰাজা, ভাস্কৰজ্যোতি শইকীয়াকে প্ৰমুখ্য কৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকে।

# পূৰ ডিপ্তা জাৰিয়াপাৰ যুৱক সংঘৰ দ্বিতীয় বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠান

**ই-সংবাদ, বৰমা ৫ জানুৱাৰীঃ** নলবাৰী জিলাৰ টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত পূৰ ডিপ্তা জাৰিয়াপাৰ গোহাঁইখাত খেলপথাৰত আজি দিনজোৰা কাৰ্যসূচীৰে দ্বিতীয় বাৰ্ষিক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। পূৰ ডিপ্তা জাৰীয়াপাৰ যুৱক সংঘৰ সৌজন্যত অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানৰ পুৱা পৰিৱেশ নিকাকৰণ, পতাকা উত্তোলন, গছপুলি ৰোপণ আৰু বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। খেল ধেমালি অনুষ্ঠানত অঞ্চলটোৰ ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহন কৰে। উক্ত অনুষ্ঠানটোৰ লগত সংগতি ৰাখি সমন্বয় শোভাযাত্ৰাৰ প্ৰীতি ভোজন আৰু একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধিয়া সময়ত সাংস্কৃতিক অনুষ্ঠানত অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী জেকিং ৰাজ, বৰষা কাশ্যপ নিকিতা কাশ্যপে অংশ গ্ৰহণ কৰিব। অনুষ্ঠানটোত সকলোৰে সহায়-সহযোগিতা বিচাৰিছে সভাপতি মইদুল ইছলামৰ লগতে সম্পাদক ৰেজাউল আহমেদে।

# ধৰ্মপ্ৰাণা মহিলা বাসন্তী ডেকাৰ মৃত্যুত পছৰীয়াত শোঁকৰ ছাঁ

**ই-সংবাদ, শুৱালকুছি, ৫ জানুৱাৰীঃ** কামৰূপ জিলাৰ পছৰীয়া উজানটোল নিৱাসী তথা ৰাষ্ট্ৰীয় কৃতী শিক্ষক পুৰস্কাৰপ্ৰাপ্ত প্ৰয়াত গৌৰীকান্ত ডেকাৰ পত্নী বাসন্তী ডেকাৰ শনিবাৰে বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত ধৰ্মপ্ৰাণা মহিলা গৰাকীৰ বয়স হৈছিল ৮৩ বছৰ। ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে পছৰীয়াৰ নিজ বাসগৃহত অগণন গুণমুগ্ধ উপস্থিত হৈ শেষ শ্ৰদ্ধা জনায়। ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুত বিজেপিৰ অসম প্ৰদেশ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাস আৰু বিজেপি নেতা দিবাকৰ কলিতাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। পছৰীয়া অঞ্চলৰ ধৰ্মপ্ৰাণা মহিলা গৰাকীৰ মৃত্যুত পছৰীয়া সাৰ্বজনীন লক্ষ্মীপূজা সমিতি, ২ পূৰ বংশৰ আঞ্চলিক সমন্বয় সমিতি, ২ নং পূৰ বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে গভীৰ শোক প্ৰকাশ কৰে। উল্লেখ্য, অতি সহজ সৰল কৰ্তব্যপৰায়ণ ধৰ্মপ্ৰাণা মহিলাগৰাকী কিছুদিন পছৰীয়া বাপুজী নিম্ন বুনিয়াদী বিদ্যালয়ত সহঃশিক্ষয়িত্ৰী হিচাপে পাঠদানো কৰছিল।

# তিনি মাহ ধৰি বন্ধ হাঁহখাটি-ধলা তিনিচুকীয়া পৰিবহণ নিগমৰ বাছ সেৱা

**ই-সংবাদ, ডুমডুমা, ৫ জানুৱাৰীঃ** ৩ মাহ ধৰি বন্ধ হৈ আছে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ হাঁহখাটি-ধলা-তিনিচুকীয়া বাছ সেৱা। ৰাইজৰ বিপুল দাবীত ২০১০ চনত চৰকাৰৰ পৰিবহণ বিভাগে প্ৰৱৰ্তন কৰা হাঁহখাটি-ধলা-তিনিচুকীয়া পৰিবহণ নিগমৰ ৰঙা বাছ সেৱাৰ পৰা বৃহত্তৰ হাঁহখাটি অঞ্চলৰ কুৰিখন গাঁৱৰ ৰাইজ উপকৃত হৈ আহিছিল। উল্লেখ্য যে, প্ৰতিদিনে পুৱা ৮-০০ বজাত হাঁহখাটি নেপালী গাঁৱৰ তিনিআলি ( ষ্টেচন তিনিআলি ) ৰ পৰা যাত্ৰা আৰম্ভ কৰা উক্ত বাছখনে ধলা হৈ ১০-০০ বজাত তিনিচুকীয়া গৈ পোৱাৰ পিছত দুপৰীয়া ১-০০ বজাত তিনিচুকীয়া অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থানৰ পৰা পুনৰ যাত্ৰা আৰম্ভ কৰা বাছখনে ৩-৩০ বজাত ধলা আহি পোৱাৰ পিছত ৪-৩০ বজাত হাঁহখাটি গৈ পায়গৈ। প্ৰতিদিনে প্ৰায় ৬০ কি: মি: দূৰত্বৰ মাজত চলাচল কৰা উক্ত বাছ সেৱাৰ পৰা হাঁহখাটি অঞ্চলৰ কেইবা সহস্ৰাধিক ৰাইজ যথেষ্ট উপকৃত কৰি আহিছিল বিগত ১৪ বছৰে। উক্ত বাছ সেৱাৰ পৰা অঞ্চলটোৰ কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলো উপকৃত হৈ আহিছিল যদিওঁ যোৱা ৩ মাহ ধৰি উক্ত বাছ সেৱা বন্ধ হৈ অহাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোৰ যাত্ৰীসকলৰ লগতে কলেজীয়া ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়াত পৰিছে। ৰাইজে অচিৰেই উক্ত বাছ সেৱা পুন: চলাচলৰ দাবী জনাইছে। স্মতব্য যে, বিগত বৰ্ষসমূহটো পৰিবহণ বিভাগে বিভিন্ন অজুহাত যেনে- ইঞ্জিন বিকল, ড্ৰাইভাৰৰ অভাৱ, কণ্ডাক্টৰ-হেণ্ডিমেনৰ অনুপস্থিতি ইত্যাদি ধৰণৰ অজুহাতত মাজে সময়ে উক্ত ঐতিহাসিক বাছ সেৱা বন্ধ কৰি অহাৰো উদাহৰণ আছে। এক সূত্ৰৰ যোগে জানিব পৰা অনুসৰি, লোকচানৰ অজুহাত দেখুওৱাই পৰিবহণ বিভাগে উক্ত বাছ সেৱা বন্ধ কৰিছে যদিওঁ সেয়া কোনো কাৰণতে মানি লব পৰা বিষয় নহয় বুলি ৰাইজৰ মাজত চৰ্চিত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ অন্তৰালত এক গভীৰ ষড়যন্ত্ৰ অন্তৰ্নিহিত হৈ থকাৰো অভিযোগ উত্থাপিত হৈছে। কাৰণ, প্ৰতিদিনে উক্ত বাছত যথেষ্টসংখ্যক যাত্ৰীয়ে তিনিচুকীয়ালৈ-ডুমডুমা-তালাপ আদিলৈ যাতায়ত কৰি অহাৰ সত্বেও কিদৰে উক্ত বাছ সেৱাই লোকচানৰ সন্মুখীন হৈছে সেয়া এক অবুজ সাঁথৰ হিচাপে বিবেচিত হৈছে। প্ৰতিদিনে যাত্ৰীয়ে ভিৰ কৰা বাছখন বন্ধ হৈ পৰাৰ পৰিপ্ৰেক্ষিতত বজাৰ-হাট কৰা লোকসকলো অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছে। আটাইতকৈ ডাঙৰ কথা এয়ে যে, প্ৰায় ৩ মাহ ধৰি উক্ত বাছ সেৱা বন্ধ হৈ থকাৰ ফলত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকল বাৰুকৈয়ে প্ৰভাৱান্বিত হৈছে। বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ যাতায়তৰ আশা-ভৰষাস্থলী স্বৰূপ উক্ত বাছ সেৱাক লৈ পৰিবহণ বিভাগে অচিৰেই সু-ব্যৱস্থা গ্ৰহণ নকৰিলে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে আন্দোলনৰ পন্থা গ্ৰহণ কৰিবলৈ বাধ্য হব বুলিও হুংকাৰ প্ৰদান কৰিছে। যি সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক চেউজীয়া ইন্ধনযুক্ত ৰাজহুৱা পৰিবহণ খণ্ডলৈ পৰিৱৰ্তন তথা ২০২৬ চনৰ ভিতৰত ৰাজ্যক চেউজীয়া পৰিবহণলৈ ৰূপান্তৰিত কৰাৰ কথা ঘোষণা কৰিছে, সেই সময়তে এখন এখনকৈ ৰাজ্যৰ পৰিবহণ নিগমৰ অধীনৰ অসম গৌৰৱ ৰঙা বাছ সেৱা বন্ধ কৰি অহাটো যথেষ্ট উদ্বেগৰ বিষয় বুলিব পাৰি।

# এসপ্তাহৰ মূৰত ব্ৰহ্মপুত্ৰত উদ্ধাৰ মাজুলীৰ সন্ধানহীন যুৱকৰ মৃতদেহ

**ই-সংবাদ, মাজুলী, ৫ জানুৱাৰীঃ** যোৱা ৩০ ডিচেম্বৰৰ দিনাই লগৰ একাংশ বন্ধুৰ সৈতে বনভোজ খাবলৈ গৈ নিৰুদ্দেশ হৈ থকা মাজুলীৰ বাঘৰ গাঁৱৰ যুৱক তথা পূব মাজুলী মহাবিদ্যালয়ৰ প্ৰথম ষাণ্মাষিকৰ মেধাৱী শিক্ষাৰ্থী পিংকু হাজৰিকাক (২২) আজি এটা সপ্তাহৰ মূৰত ব্ৰহ্মপুত্ৰত উপঙি থকাৰ অৱস্থাত মৃতদেহ উদ্ধাৰ হয়। অফলামুখ পাৰঘাটৰ তিনি নম্বৰ শৈলস্পাৰ অংশত এছ ডি আৰ এফৰ ডুবাৰু দলে নিৰুদ্দেশ হোৱাৰ পৰাই উদ্ধাৰ অভিযান অব্যাহত ৰাখিছিল যদিও উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাছিল। কিন্তু আজি নিখোজ হোৱা স্থানৰ পৰা প্ৰায় দুই কি:মি আঁতৰত দক্ষিণপাট ঘাটৰ সমীপত বিয়লি ২.৩০ বজাত ব্ৰহ্মপুত্ৰত উপঙি থকা অৱস্থাত এছ ডি আৰ এফে বাঘৰগাঁওৰ পিংকু হাজৰিকাৰ মৃতদেহ উদ্ধাৰ কৰে। মৃতদেহৰ পৰা মোবাইল ফোন আৰু হেডফোন উদ্ধাৰ হৈছে বুলি জানিব পৰা গৈছে। ইফালে বনগাঁও আৰক্ষীয়ে ঘটনাৰ পিছতেই ৰাইজৰ অভিযোগ অনুসৰি বিভিন্ন সন্দেহত বনভোজ দলৰ ক্ৰমে জ্যোতিমাইনা দাস, বিশ্ব বনিয়া, আদিত্য দত্ত, বোপ দত্তসহ ছজনক আটক কৰি মাজুলী আৰক্ষী থানাত ৰাখি বৰ্তমানেও জেৰা অব্যাহত ৰাখিছে। ইফালে পিংকু হাজৰিকাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে কাইলৈহে পৰিয়ালক চমজাই দিব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে মাজুলী জিলাৰ জেংৰাইমুখ আৰক্ষী থানাৰ অন্তৰ্গত ৰতনপুৰ গায়ন পঞ্চায়তৰ বাঘৰ গাঁৱৰ নিবাসী থগেশ্বৰ হাজৰিকাৰ পুত্ৰ



পিংকু হাজৰিকাই তেওঁৰ বন্ধুৰ সৈতে মাজুলী অফলামুখ পাঘাটৰ সমীপত থকা তিনি নম্বৰ শৈলস্পাৰ অংশত বনভোজ খাবলৈ গৈছিল। ৩০ ডিচেম্বৰৰ পুৱা প্ৰায় ১১ বজাত ছজনীয়া বন্ধুৰ সৈতে বনভোজ খাবলৈ গৈছিল পিংকু হাজৰিকা। সেইদিনাই বিয়লি প্ৰায় ২-১০ বজাত ফোন এটা অহাত বনভোজ থলীৰ পৰা আতৰি যোৱাৰ পিছৰে পৰাই লগৰ বন্ধু কেইজনে ম'বাইলত সংযোগ পোৱা নাছিল পিংকুক। ইফালে নিখোজ হোৱাৰ আজি এসপ্তাহৰ মূৰত পিংকুৰ মৃতদেহ উদ্ধাৰ হোৱাত এতিয়া পৰিয়ালৰ লোক সকল শোকত ভাগি পৰাৰ লগতে মৃতদেহত প্ৰত্যক্ষ কৰা আঘাতৰ চিনলৈ চাই যুৱকজন হত্যাৰ বলি হোৱা বুলি পৰিয়ালৰ লোকে আজিও দাবী কৰে। ইফালে মৰণোত্তৰ পৰীক্ষাৰ পিছতহে আৰক্ষীৰ তদন্তত যুৱকজনৰ মৃত্যুৰ আঁৰৰ ৰহস্য পোহৰলৈ আহিব।

# শপত ল'লে আলোপতি মাজৰচৰ বজাৰ কমিটিয়ে

**ই-সংবাদ, নগৰবেৰা, ৫ জানুৱাৰীঃ** দক্ষিণ বৰপেটাৰ আলোপতি মাজৰচৰ বজাৰৰ নতুন পৰিচালনা সমিতি গঠনাৰ্থে এখনি সাধাৰণ সভা যোৱা এক জানুৱাৰী বুধবাৰে অনুষ্ঠিত হৈ যায়। চেঙা সমষ্টিৰ অন্তৰ্গত চৰাঞ্চলৰ ভিতৰত এখন আগশাৰীৰ সৰ্ববৃহৎ লেখত ল'বলগীয়া বজাৰ হৈছে আলোপতি মাজৰচৰ আঞ্চলিক বজাৰ। ইতিমধ্যে উকলি যোৱা পুৰণি কমিটিৰ কাৰ্যকালৰ বছৰীয়া হিচাপ নিকাচ দাখিল আৰু অনুমোদনৰ পিছত বজাৰখন পৰিচালনাৰ কৰাৰ কাৰণে ২০২৫ বৰ্ষৰ বাবে নতুনকৈ বজাৰ পৰিচালনা সমিতিখন গঠন কৰা হয়। তদুপলক্ষে আজি আলোপতি মাজৰচৰ আঞ্চলিক বজাৰ পৰিচালনা সমিতিৰ কাৰ্যালয় চৌহদত নতুন কমিটিৰ সভাপতি আব্দুল ওৱাহাবৰ সভাপতিত্বত অনুষ্ঠিত হোৱা শপত গ্ৰহণ অনুষ্ঠানত প্ৰাক্তন সভাপতি খলিলুৰ ৰহমানে নৱনিৰ্বাচিত সভাপতি আব্দুল ওৱাহাবক শপত বাক্য পাঠ কৰায়। পিছত নৱনিৰ্বাচিত সভাপতি আব্দুল ওৱাহাবে নতুন কমিটীখনৰ উপ-সভাপতি ৰহমত আলী মণ্ডল, সম্পাদক আজিজুল হক, সহ-সম্পাদক মিৰজাল হকক লৈ ৪৩ জনীয়া নতুন কমিটিখনক শপত বাক্য পাঠ কৰোৱায়। নতুন কমিটিৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে বজাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ক্ৰমে স্বাইজুদ্দিন ভূঞা, নৌছাদ আলী, নুৰ মহম্মদ আলী, ড° ছামচুল আলম ছৰোৱাৰ্দীৰ উপৰিও অধ্যক্ষ ড° জছিম উদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলফাজ উদ্দিন আহমেদ, তাজিম উদ্দিন আহমেদ, নৌফেল উদ্দিন, মজিবৰ ৰহমান, চিৰাজুল হক, প্ৰাক্তন সম্পাদক আবুল বাসাৰ আনছাৰীৰ লগতে বজাৰ পৰিচালনা সমিতিৰ নতুন সদস্য সকলোৰ ওপৰিও বিভিন্ন গাঁৱৰ প্ৰতিনিধিসকল। সভাৰ শেষত বজাৰ পৰিচালনা সমিতিৰ নৱনিৰ্বাচিত সভাপতি-সম্পাদকে অনাগত দিনত বজাৰ পৰিচালনাৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰে।



শিৱসাগৰত কংগ্ৰেছ নেত্ৰী হোছনা বেগমসহ শতাধিক লোকৰ ৰাইজৰ দলত যোগদান

## ৰাইজৰ ক্ষোভ, এটুপি খোৱাপানীৰ বাবে হাহাকাৰ সত্ৰশালত

# ১ কোটি ৬৪ লাখ টকাৰে মেৰামতি কৰিও নাপালে খোৱাপানী

**ই-সংবাদ, গোলকগঞ্জ, ৫ জানুৱাৰীঃ** ধুবুৰী জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আগমনি শাখাৰ অধীনৰ ভাৰত বাংলাদেশ সীমান্তৰ ৰামৰাইকুঠী খোৱাপানী যোগান আঁচনিটো জলজীৱন মিছনৰ অধীনত নৱীকৰণকৃত সম্পূৰ্ণ নৌহওঁতেই পুনৰ বিকল হৈ পৰাত অঞ্চলটোত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, সীমান্তৰ অঞ্চলটোৰ বিশুদ্ধ খোৱাপানীৰ যোগানৰ বাবে স্থাপন কৰা আঁচনিটো ২০২০-২০২১ বিত্তীয় বৰ্ষত ১ কোটি ৬৪ লাখ টকাৰে মেৰামতি কৰে। দায়িত্বত থকা ঠিকাদাৰে উৰ্ধতম কৰ্তৃপক্ষৰ লগত গোপন বুজাবুজিৰে নিম্নমানৰ সামগ্ৰীৰে মেৰামতি কৰে। অভিযোগ মতে নলী পাইপবোৰ একে বাৰে নিম্নমানৰ আৰু যিমান তলেৰে ল'ব লাগে সিমান তলেৰে নলৈ এক ফুট দ কৰি ওপৰে ওপৰে পাইপবোৰ লৈ গৈছে। নতুন পাইপৰ নামত কিছুমান ঠাইত পুৰণি পাইপতে সংযোগ কৰি দায়িত্ব সামৰে। মেচিন চলিলে বিভিন্ন ঠাইত পাইপ ফুটে। পাইপ ফুটা এক প্ৰকাৰ নিয়মত পৰিণত হৈছে। নৱীকৰণৰ পিছত দুই-তিনি দিন চলিছিল আৰু তাৰ পিছতে বিকল হৈ পৰে বিদ্যুতৰ ট্ৰেন্সফৰ্মাৰ। ট্ৰেন্সফৰ্মাৰ বিকল হোৱা বাবে প্ৰায় তিনি মাহ ধৰি খোৱাপানীৰ যোগান বন্ধ আছিল। তিনি জানুৱাৰীত ট্ৰেন্সফৰ্মাৰ সলনি কৰাৰ পিছত ৰাইজে বিশুদ্ধ খোৱাপানী পোৱাৰ আশা কৰিছিল যদিও সকলো ফুটুকাৰ ফেন পৰিণত হয়। কাৰণ মেচিন আৰম্ভ কৰাৰ লগে লগে বিভিন্ন ঠাইত ফুটিবলৈ আৰম্ভ কৰে। যাৰবাবে আজিও বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ আছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# গোলকগঞ্জত মোবাইল চোৰ

**ই-সংবাদ, গোলকগঞ্জ, ৫ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত নান্দিনীপাৰত আজি দুপৰীয়া মোবাইল চুৰিক কেন্দ্ৰ কৰি উত্তেজনাৰ সৃষ্টি হয়। জানিব পৰা মতে, গোলকগঞ্জৰ পৰা গৌৰীপুৰ অভিমুখে এখন যাত্ৰীবাহী ই-ৰিক্সা গৈ আছিল। নান্দিনীপাৰত ই-ৰিক্সাৰ চালকৰ এণ্ড্ৰইড মোবাইলটো বাহনখনৰ পৰা নোহোৱা হয়। যাত্ৰীৰ লগতে স্থানীয় ৰাইজে তালাচী চলাই ছামচুল হক নামৰ যাত্ৰী জনৰ পৰা মোবাইলটো উদ্ধাৰ কৰে। উপস্থিত ৰাইজে চোৰ জনক আটক কৰি মাৰপিট কৰে। খবৰ পাই গোলকগঞ্জ থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ চোৰটোক উদ্ধাৰ কৰি গোলকগঞ্জ থানালৈ নিয়ে। আটকাধীন ছামচুল হক ইয়াৰ পূৰ্বতেও নান্দিনীপাৰত মোবাইল চুৰি কৰি ৰাইজৰ ৰোষত পৰিব লগীয়া হৈছিল। গৌৰীপুৰ পুৱ টিয়ামাৰীৰ ছামচুল শৌলমাৰীত থকা শহুৰৰ ঘৰৰ পৰা নিজ ঘৰলৈ যোৱাৰ সময়তে এই অঘটন সংঘটিত কৰে।

# নলাৰ দুৰ্গন্ধময় পানীয়ে জ্বলা-কলা খুৱাইছে ছাত্ৰ-ছাত্ৰীক

**ই-সংবাদ, চাপৰ ৫ জানুৱাৰীঃ** ধুবুৰী জিলাৰ চাপৰ বজাৰৰ মাজমজিয়াত অৱতৰীয়া বানপানীয়ে পথচাৰীক জ্বলা-ক'লা খুৱাইছে। নলা-নৰ্দমাৰ পৰা নিৰ্গত হোৱা অপৰিষ্কাৰ পানীৰ দুৰ্গন্ধময় এক অস্বাস্থ্যকৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে স্বচ্ছ ভাৰত মিছনক কলংকিত কৰিছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰে। ইপিনে সকলো দেখি শুনিওঁ যেন চকু মুদা কুলিৰ ভাওঁ ধৰিছে চাপৰ পৌৰসভা আৰু লোক নিৰ্মাণ বিভাগ। ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈও হেতালি খেলাৰ অভিযোগ উঠিছে বিভাগ দুটাৰ বিৰুদ্ধে। নিৰ্গত হোৱা দুৰ্গন্ধময় লেতেৰা পানীৰ বাবে পনবন্দী হ'বলগীয়া হৈছে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজ। উল্লেখযোগ্য যে চাপৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু চাপৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰৱেশ কৰা গেটৰ সন্মুখত তথা চাপৰ বজাৰৰ মাজমজিয়া ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ গাতে লাগি থকা নলা সমূহৰ পৰা অপৰিষ্কাৰ পানী নিৰ্গত হৈ থকাৰ ফলত দুৰ্গন্ধময় পৰিবেশৰ মাজেৰে দৈনিক অহা-যোৱা কৰে ছাত্ৰ-ছাত্ৰীৰ লগতে সহস্ৰাধিক পথাচাৰী। উক্ত পানীখিনি ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে বৈ যোৱাত অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰিছে সমগ্ৰ চাপৰ অঞ্চলত। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে লাগি থকা চাপৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু চাপৰ ছোৱালী হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে উক্ত লেতেৰা পানীৰ ওপৰেৰে দৈনিক অহা-যোৱা কৰিব লগাত পৰিছে। ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ সুবিধাৰ বাবে চাপৰৰ এমবিশিয়াছ ছ'চিয়েল ফাইণ্ডেছনৰ পৰা চাপৰ পৌৰসভাৰ বিষয়ববীয়াক লিখিত আবেদন দিয়ে যদিও আজিলৈকে কোনো গুৰুত্ব প্ৰদান নকৰাত ক্ষোভ প্ৰকাশ কৰে সদস্য সকলে। অতি সোনকালে এই সমস্যাৰ সমাধান নকৰিলে ফাউণ্ডেশ্যনটোয়ে এলানি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰিব বুলি জানিব দিয়ে।

# উৰিয়ামঘাটত শ্বহীদ দিৱস উদযাপন, সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ অংশগ্ৰহণ

**ই-সংবাদ, সৰুপথাৰ, ৫ জানুৱাৰীঃ** সৰুপথাৰ সমজিলাৰ উৰিয়ামঘাট চিলনীজানত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ধাৰাবাহিকতা অক্ষুন্ন ৰাখি ৪৫ সংখ্যক শ্বহীদ দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে সম্পন্ন হয়। অসম নাগালেণ্ড সীমা বিবাদক কেন্দ্ৰ কৰি ১৯৭৯ চনৰ ৫ জানুৱাৰীৰ পুৱতি নিশা নগা উগ্ৰপন্থীয়ে গোলাঘাট জিলা সৰুপথাৰ সমজিলাৰ পাণজান,চালুকপথাৰ, চুঙাজান এম ভি, উৰিয়ামঘাট আদি অঞ্চলসমূহৰ বহু পৰিয়ালৰ ঘৰ-দুৱাৰ জ্বলাই নিঃশেষ কৰাৰ লগতে কেইবাজনো নিৰীহ গওঁৱা লোকক হত্যা কৰিছিল। তেনে অনুৰূপ ঘটনাই সংঘটিত হয় ২০১৪ চনৰ ১২ আগষ্টত। বি চেক্টৰৰ ১৬খনকৈ অসমৰ কৃষকৰ গাঁৱত অগ্নি সংযোগ কৰি ভালেমান লোকক হত্যা কৰাৰ উপৰিও ঘৰ-বাৰী জ্বলাই নিঃশেষ কৰিছিল আৰু বৰ্তমানেও সীমান্তবৰ্তী অঞ্চলটোৰ কেতবোৰ ঠাইত অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈ আহিছে।পৰৱৰ্তী সময়ত ধনশিৰি মহকুমা (সৰুপথাৰ সমজিলা) গাঁওবুঢ়া সন্থাই শ্বহীদ দিৱস হিচাপে পালন কৰি আহিছে এই বিশেষ দিনটো। উদযাপন সমিতিৰ সভাপতি সতীশ বড়ো আৰু সম্পাদক প্ৰদীপ উৰাঙৰ নেতৃত্বত ব্যাপক প্ৰস্তুতিৰে দিনজোৰা কাৰ্যসূচী অনুষ্ঠিত কৰা দিৱসটিৰ উদযাপন সমিতিৰ উপদেষ্টা দুৰ্গেশ্বৰ গগৈ সহযোগত সতীশ বড়োৱে বন্তী প্ৰজ্বলন আৰু সৰুপথাৰ সমজিলা সীমান্ত গাঁও প্ৰধান সহদেৱ খাকলাৰীয়ে পতাকা উত্তোলন কৰে। তাৰ পিছতেই শ্বহীদ তৰ্পণ আৰু বৃক্ষ ৰোপণ কৰে ক্ৰমে কৰৈঘাট আঞ্চলিক গাঁও প্ৰধান সন্থাৰ সভাপতি শোভন চুতীয়া আৰু হালধিবাৰী গাঁও পঞ্চায়তৰ গাঁও বুঢ়া সন্থাৰ সভাপতি শুক্লেশ্বৰ মেচে। ৪৫ সংখ্যক শ্বহীদ দিৱস উপলক্ষে আৰু অনুষ্ঠানটিৰ দলিল স্বৰূপ আৰু গাওঁ প্ৰধান ৰাতুল শইকীয়াৰ সম্পাদনাত "সীমান্ত বাসীৰ অনুভৱ" নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে, সৰুপথাৰ সম জিলাৰ সীমান্ত দণ্ডাধীশ প্ৰিয়ম জ্যোতি ফুকনে। সৰুপথাৰ সমজিলাৰ গাঁও প্ৰধান সন্থাৰ সভাপতি সহদেৱ খাকলাৰীৰ সভাপতিত্বত হ'বলগীয়া মুকলি সভাৰ উদ্বোধন কৰে সংযুক্ত বড়ো গণ মঞ্চ কেন্দ্ৰীয় সমিতিৰ সাহিত্য সম্পাদক মহেশ্বৰ বসুমতাৰীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে বড়ো কছাৰী স্বায়ত্ত শাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য প্ৰদীপ স্বৰ্গীয়াৰী। উক্ত মুকলি সভাত মুখ্য অতিথি হিচাপে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, কাজিৰঙা লোকসভা সমষ্টি সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থাকি বক্তব্য ৰাখে। বিশিষ্ট অতিথি হিচাপে উৰিয়ামঘাট প্ৰেছ ক্লাবৰ সভাপতি, সম্পাদক ক্ৰমে প্ৰতাপ গগৈ আৰু ভূপেন শইকীয়া, সহঃসম্পাদক উদিপ বৰা, উৰিয়ামঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অলংকাৰ বৰা, উৰিয়ামঘাট থানাৰ ভিডিপি কমিটিৰ সভাপতি কেশৰ তুলচিয়াৰী, সমাজ সেৱক দিলবাহাদুৰ লিম্বু, ৰাজু শ্ৰেষ্ঠ, অমিয় গগৈৰ উপৰিও কেইবাজনো গণ্য মান্য লোক উপস্থিত থাকে বুলি জানিবলৈ দিছে মূল সমিতিৰ সভাপতি সহদেৱ খাকলাৰীয়ে। দুই শতাধিক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা মুকলি সভাত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ বিষয় সমূহৰ আলোচনা হয় আৰু এক জনসচেতনতা বৃদ্ধি হয়। অনুষ্ঠানত দুগৰাকী শ্বহীদ ক্ৰমে বেণু তাঁতী আৰু নৰেন্দ্ৰ কাঁকীৰ পৰিবাৰ দুখুনী তাঁতী আৰু হেমা ছেত্ৰীক সম্বৰ্ধনা পত্ৰ প্ৰদান কৰে কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিত ফুকনে। অনুষ্ঠানত বিহু, বাগৰুম্বা, ঝুমুৰ, নেপালী নৃত্য পৰিৱেশন কৰা হয়।

# ছিপাঝাৰত মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ বাৰ্ষিক অধিবেশনৰ লাইখুটা স্থাপন

**ই-সংবাদ, ছিপাঝাৰ, ৫ জানুৱাৰীঃ** দৰং জিলাৰ মহাপুৰুষীয়া বৈষ্ণৱ সমাজ হাজৰিকাপাৰা শাখাৰ উদ্যোগত আৰু বৃহত্তৰ হাজৰিকাপাৰা বাসী ৰাইজৰ সহযোগত অহা ২৯ , ৩০ আৰু ৩১ জানুৱাৰী তাৰিখে তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিতব্য মহাপুৰুষীয়া বৈষ্ণৱ সমাজ দৰং জিলা সমিতিৰ ৪০৯ সংখ্যক বাৰ্ষিক অধিৱেশনৰ মূল মণ্ডপৰ লাইখুঁটা আজি স্থানীয় গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ 'বকুল মহন্ত ক্ষেত্ৰ'ত আনুষ্ঠানিক ভাৱে স্থাপন কৰা হয়। সেই উপলক্ষে পুৱা শৰাই নিবেদন, সমূহীয়া নাম প্ৰসংগৰ পিছত উদযাপন সমিতিৰ উপ সভাপতি হৰেশ্বৰ ডেকাৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হয়। তাৰ পিছত নাম কীৰ্ত্তন আৰু হৰিধ্বনিৰে মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ প্ৰাক্তন ৰাজ্যিক সম্পাদক নৰপতি ডেকাৰ দ্বাৰা লাইখুঁটা স্থাপন কৰা হয়। একে স্থানতে মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ ৰাজ্যিক সভাপতি মহেন্দ্ৰ বৰাৰ দ্বাৰা অস্থায়ী নামঘৰৰ খুটা স্থাপন আৰু সাংবাদিক ৰঞ্জিত কুমাৰ নাথৰ দ্বাৰা অস্থায়ী কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰা হয়। আনহাতে আদৰণি সমিতিৰ সভাপতি খগেন্দ্ৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি মুকলি সভা। আদৰণি সমিতিৰ সম্পাদক কল্প কলিতা আৰু হাজৰিকাপাৰা শাখাৰ সহ সম্পাদক শৈলেন কলিতাই আঁত ধৰা সভাখনত মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ ৰাজ্যিক সভাপতি মহেন্দ্ৰ বৰা, জিলা সম্পাদক মনোৰাম চহৰীয়া, সাংবাদিক ৰঞ্জিত কুমাৰ নাথ, আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি শৰৎ চন্দ্ৰ চহৰীয়া প্ৰমুখ্যে কেবাগৰাকীও ব্যক্তিয়ে ভাষণ প্ৰদান কৰে। সভাখনত পাঁচ শতাধিক ৰাইজে অংশগ্ৰহণ কৰে।

# খাৰিজা বিজনী সাহিত্য সভাৰ অধিৱেশন সম্পন্ন

**ই-সংবাদ, বৰপেটাৰোড, ৫ জানুৱাৰীঃ** খাৰিজা বিজনী (শতদল) শাখা সাহিত্য সভাৰ ত্ৰয়োদশ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন আজি দিনজোৰা কাৰ্য্যসূচীৰে বৰপেটা হাইস্কুল প্ৰাংগনত অনুষ্ঠিত হয়। পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে খাৰিজা বিজনী (শতদল) শাখা সাহিত্য সভাৰ সভাপতি ধনঞ্জয় দাসে। স্মৃতি তৰ্পন কৰে বিটিআৰৰ ইএম গৌতম দাসে। ১১ বজাত প্ৰতিনিধি পঞ্জীয়ন, প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত হিচাপ পৰীক্ষকে ২০২৩-২৫ বৰ্ষৰ হিচাপৰ প্ৰতিবেদন দাখিল কৰে। সভাত শাখা সম্পাদক বাছিদুৰ ৰহমানে দুবছৰীয়া প্ৰতিবেদন পাঠ কৰে। অধিৱেশনত জিলা পৰ্য্যবেক্ষক হিচাপে উপস্থিত থাকে পৰেশ ডেকা, ইন্দ্ৰ ছেত্ৰী, সুৱন চন্দ্ৰ নাথে। অধিৱেশনত পৰৱৰ্তী ২০২৫-২৭ বৰ্ষৰ কাৰ্য্যকালৰ বাবে পৰেশ ডেকাক সভাপতি, ইন্দ্ৰ বাহাদুৰ ছেত্ৰীক উপ সভাপতি, বাছিদুৰ ৰহমানক সম্পাদক আৰু নিলাম্বৰ নাথক সহকাৰী সম্পাদক হিচাপে লৈ কাৰ্য্যকৰী কমিটিখন গঠন কৰা হয়।

# খাৰুপেটীয়াত ভয়ংকৰ অগ্নিকাণ্ড, ৬ কোটিৰ সা-সম্পত্তি ভস্মীভূত

**ই-সংবাদ, খাৰুপেটীয়া, ৫ জানুৱাৰীঃ** খাৰুপেটীয়াত ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। দৰঙৰ খাৰুপেটীয়াত নিশা জুইত জাহ গ'ল ফতেহ চান্দ হিৰাৱাতৰ কাৰ্যালয় সহ গোদামত থকা কোটিৰো অধিক টকা মূল্যৰ সা-সম্পত্তি। স্বত্বাধিকাৰী ফতেহ চান্দ হিৰাৱতে জানিবলৈ দিয়া মতে অগ্নিকাণ্ডত কাৰ্যালয় সহ গোদাম জাহ গ'ল কোটিৰো অধিক টকাৰ সা-সম্পত্তি। অগ্নিকাণ্ডত নিমীযতে জাহ যায় গোদামত থকা বিস্কুট, চিপছ, মোবাইল ফোন সহ অন্যান্য সামগ্ৰী।



গোদামত ফতেহ চান্দ হিৰাৱাতৰ বিস্কুট, চিপছ, মোবাইল ফোন সহ অন্যান্য সামগ্ৰীৰ পাইকাৰী বিক্ৰীৰ সামগ্ৰী আছিল। অগ্নিকাণ্ডৰ খবৰ পাই ঘটনাস্থলীত ছিপাঝাৰ মংগলদৈ খাৰুপেটীয়াৰ পৰা ছখনকৈ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীয়ে ৰাতিপুৱালৈকে অহৰহ প্ৰচেষ্টা চলাই জুই নুমুৱাবলৈ সক্ষম হয়। স্বত্বাধিকাৰী ফতেহ চান্দ হিৰাৱাতৰ পুত্ৰ দীপক হীৰাৱতে জানিবলৈ দিয়া মতে অগ্নিসংযোগৰ সূত্ৰপাতৰ প্ৰকৃত কাৰণ এতিয়ালৈ পোহৰলৈ অহা নাই।

# সাহসী আৰক্ষী বিষয়া উৎপল কুমাৰ নাথৰ অকাল বিয়োগ

**ই-সংবাদ, বেবেজীয়া, ৫ জানুৱাৰীঃ** নগাঁও জিলাৰ উত্তৰ-পশ্চিম প্ৰান্তৰ ওপৰ ডুমডুমীয়া সত্ৰৰ নিবাসী সৎ আৰু সাহসী আৰক্ষী বিষয়া উৎপল কুমাৰ নাথৰ শনিবাৰে নিশা প্ৰায় আঠ বজাত আকস্মিকভাৱে উচ্চ ৰক্তচাপজনিত কাৰণত দেহাৱসান ঘটে । মৃত্যুৰ সময়ত ৫২ বছৰ হোৱা আৰক্ষী বিষয়া নাথ বৰ্তমান শিলচৰ সদৰ আৰক্ষী থানাৰ ছিনিয়ৰ ইন্সপেক্টৰ পদত কাৰ্যনিৰ্বাহ কৰি আছিল। নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সদায় সচেতন হৈ চলা নাথে নিজৰ কৰ্মৰাজিৰে আৰক্ষী বিভাগত এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল । সৎ আৰু সাহসী আৰক্ষী বিষয়া গৰাকীৰ এনে আকস্মিক বিয়োগত তেওঁৰ জন্মভূমি বৃহত্তৰ ডুমডুমীয়া-বালিসত্ৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। ইফালে, দেওঁবাৰে পুৱাই শিলচৰৰ পৰা আৰক্ষী বিষয়াগৰাকীৰ নশ্বৰদেহ জন্মস্থান আহি পোৱাত সমগ্ৰ অঞ্চলজুৰি এক শোকাকুল পৰিৱেশে বিৰাজ কৰা দেখা যায়। পিছত বহুলোক আৰক্ষী বিষয়াগৰাকীৰ বাসগৃহত সমবেত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা নিবেদন কৰে।

# নিলোফাৰ-ই-মাহতাবীলৈ বন্দনা গীতি বৰা বঁটা

**ই-সংবাদ, পশ্চিম যোৰহাট, ৫ জানুৱাৰীঃ** যোৰহাটৰ বৰখঙীয়া গাঁৱৰ সমাজসেৱিকা বন্দনা গীতি বৰাৰ সোঁৱৰণত পৰিয়ালবৰ্গই ২০১৭ চনৰ পৰা স্মাৰক বক্তৃতা প্ৰদান কৰি অহাৰ লগতে ২০১৯ চনৰ পৰা অঞ্চলটোৰ এগৰাকী সমাজসেৱী মহিলাক সোঁৱৰণী বঁটা প্ৰদান কৰি আহিছে। মঞ্জুলা কলা-কেন্দ্ৰৰ উদ্যোগত এইবছৰ ৫ জানুৱাৰীত ২১৫ নং বৰখঙীয়া প্ৰাথমিক বিদ্যালয়ত প্ৰাক্তন বিধায়িকা সুশীলা হাজৰিকাৰ সভাপতিত্বত বহুসংখ্যক লোকৰ উপস্থিতিত 'বন্দনা গীতি বৰা সোঁৱৰণী বঁটা' যোৰহাট ধলাজানৰ জীয়াৰী, শিক্ষা বিভাগৰ গোলাঘাট জিলা শিক্ষক প্ৰশিক্ষণৰ আঁচনি বিষয়া নিলোফাৰ-ই-মাহতাবীক প্ৰদান কৰে। বঁটাত আছে চেলেং, গামোচা, গ্ৰন্থ, সম্বৰ্ধনা-পত্ৰ আৰু বিভিন্ন উপহাৰ। উক্ত অনুষ্ঠানতে লেখক-সমালোচক হেমচন্দ্ৰ শইকীয়াক সম্বৰ্ধনা জনায়। মঞ্জুলা কলা-কেন্দ্ৰৰ অধ্যক্ষ ভবেন হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখন গোলাপ বৰবৰাই মংগলাচৰণৰে শুভাৰম্ভ কৰে। বন্দনা গীতি বৰাৰ স্বামী মানিক চন্দ্ৰ বৰা, পুত্ৰ-শিক্ষক বিনীত বৰা, বোৱাৰী-শিক্ষয়িত্ৰী মমী হাজৰিকা বৰাই আঁতধৰা আৰু পৰিচালনা কৰা সভাখনত জাৰ্মানী নিবাসী, লেখক-গৱেষক ডক্টৰ তন্ময়ীৰাণী নেওগে 'ডিজিটেল সক্ৰিয়তাবাদৰ যুগত মহিলা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে। মঞ্জুলা কলাকেন্দ্ৰৰ সম্পাদক বাবুল কলিতাই বিশেষভাৱে পৰিচালনা কৰা অনুষ্ঠানত ডক্টৰ অমূল্য চন্দ্ৰ বৰা, ডক্টৰ গোবিন চন্দ্ৰ বৰা, যজ্ঞেশ্বৰ বৰা, যোগেন দত্ত, বোধেশ্বৰ বৰা, মামন দেৱী, জাৰ্মানী নিবাসী সৌষ্ঠভ তালুকদাৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকলে অংশগ্ৰহণ কৰি সৌষ্ঠভ বৃদ্ধি কৰে। বঁটাপ্ৰাপক নিলোফাৰ-ই-মাহতাবী আৰু সম্বৰ্ধনাপ্ৰাপক হেমচন্দ্ৰ শইকীয়াৰ লগতে ডক্টৰ প্ৰমোদ চন্দ্ৰ নেওগ আৰু গৌৰীশংকৰ ভূঞাই বন্দনা গীতি বৰাৰ বহুমুখী প্ৰতিভা আৰু সমাজলৈ অৱদানৰ সম্পৰ্কে উল্লেখ কৰে।




**নিলোফাৰ-ই- মাহতাবীলৈ বন্দনা গীতি বৰা বঁটা প্ৰদানৰ এটি মুহূৰ্ত**

## বিৰল পৰম্পৰা ধৰি ৰখাৰ প্ৰয়াস স্থানীয় ৰাইজ, নৱ-প্ৰজন্মৰ

# লাহোৱালৰ বৰতিচুকত মাঘ বিহুৰ খৰি অনা পৰম্পৰা পৰ্ব সম্পন্ন



**ই সংবাদ, চাবুৱা-লাহোৱাল, ৫ জানুৱাৰীঃ** ডিব্ৰুগড় জিলাৰ লাহোৱালৰ বৰতিচুক কৈৱৰ্ত গাঁৱত আজি মাঘ বিহুৰ উপলক্ষে খৰি অনা পৰ্ব অনুষ্ঠিত কৰে। বৰতিচুক কৈৱৰ্ত গাঁৱত আদিম যুগৰ পৰা মাঘ বিহুৰ খৰি অনা পৰম্পৰা পালন কৰি আহিছে। অসম আৰু অসমীয়াৰ বিহু সংস্কৃতিৰ ব্যতিক্ৰমী এই পৰম্পৰা গাঁৱৰ সমূহ যুৱকে পুহ মাহৰ ২০দিন যোৱাত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত এভাৰ এভাৰ কৈ খৰি আনি সমবেত হয়। কৈৱৰ্ত সমাজৰ ধৰ্মীয় ৰীতি-নীতি অনুসৰি পান তামোলৰ শৰাই কটা নিয়ম কৰি খৰি ভাৰ সমূহ ভেলা ঘৰ আৰু সামূহিক ভোজস্থলীত লৈ যায়। সমগ্ৰ অসমতে এই পৰম্পৰা বিৰল, অনন্য আৰু নান্দনিক। খৰি সমূহ ব্ৰহ্মপুত্ৰ নদীৰ পানীত উটি অহা আৰু বালিচৰত থকাৰ লগতে নিজৰ ঘৰ বাৰীৰ পৰাও খৰি সংগ্ৰহ কৰি খৰি ভাৰ প্ৰস্তুত কৰে। এই পৰম্পৰা ৰক্ষা কৰা প্ৰক্ৰিয়াটোত কোনো বন ধ্বংস নকৰে। মাঘ বিহুৰ ভেলা ঘৰ সজা ঠাইত গাঁৱৰ পুৰুষ-মহিলা সকল একত্ৰিত হৈ আনন্দ স্ফুতিৰে সমিল মিলেৰে সম্প্ৰীতিৰ ভোজ খায় মাঘ বিহু উদযাপন কৰে।

# পাঁচ দিনৰ অন্তত ধলা গাঁৱৰ নিৰুদ্দিষ্ট মহিলাৰ মৃতদেহ পুখুৰীত উদ্ধাৰ

**ই-সংবাদ, ডুমডুমা, ৫ জানুৱাৰীঃ** যোৱা ৩১ ডিচেম্বৰৰ নিশাৰ পৰা নিৰুদ্দেশ হৈ থকা তালাপ আৰক্ষী চকীৰ অন্তৰ্গত ধলা গাঁও নিবাসী মুকুল শইকীয়াৰ পত্নী ভাগ্যৱতী শইকীয়া (৫৫) ৰ মৃতদেহ আজি পুৱা অঞ্চলটোৰ তিৰুৱাল পথাৰ আৰু ধলা গাঁৱৰ মাজত থকা এটা বৃহৎ পুখুৰীত ওপঙি থকা অৱস্থাত উদ্ধাৰ হয়। উল্লেখ্য যে, ইংৰাজী নৱবৰ্ষক আদৰাৰ উদ্দেশ্যেৰে ৩১ ডিচেম্বৰৰ সন্ধিয়া গাঁওখনৰ এঘৰ লোকৰ ধাননি পথাৰত আয়োজন কৰা প্ৰীতিভোজ খাই নিশা প্ৰায় ৮ বজাত ঘৰলৈ বুলি অহাৰ পথৰ পৰাই নিৰুদ্দেশ হৈ আছিল মহিলাগৰাকী। পৰিয়ালৰ লোকে সমগ্ৰ অঞ্চলটোতেই বহুত বিচাৰ-খোচাৰ কৰে যদিওঁ মহিলাগৰাকীৰ কোনো সন্ধান নোপোৱাত যোৱা ২ জানুৱাৰীত পৰিয়ালৰ লোকে ঘটনাৰ সন্দৰ্ভত তালাপ আৰক্ষী চকীত এজাহাৰ দাখিল কৰাত তালাপ আৰক্ষীয়েও মহিলাগৰাকীৰ সন্ধানত সমগ্ৰ অঞ্চলটোত অভিযান চলাই যদিওঁ একো শুংসূত্ৰই উলিয়াব নোৱাৰিলে। আজি পুৱা প্ৰায় ৭ বজাত অঞ্চলটোৰ এজন মাছমৰীয়াই পুখুৰীটোত মাছ মাৰিবলৈ লওঁতেই পানীত এটা মৃতদেহ ওপঙি অহা দেখি স্থানীয় ৰাইজক খবৰ দিয়াত ৰাইজে তালাপ আৰক্ষীক খবৰদিয়ে। তালাপ আৰক্ষীয়ে দণ্ডাধীশ, আৰক্ষীৰ উপস্থিতিত মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে। নিশা প্ৰায় ৮ বজাতেই ঘৰমুৱা পথত কিদৰে মহিলাগৰাকীয়ে পুখুৰীটোত পৰিলগৈ, নে ঘটনাৰ আঁৰত অন্য কিবা কাৰণ থাকিব পাৰে তাক লৈ ৰাইজ যথেষ্ট সন্দিহান হৈ পৰিছে। মুঠতে, মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ পাছততে ঘটনাৰ প্ৰকৃত কাৰণ স্পষ্ট হব যদিওঁ চাৰি সন্তানৰ মাতৃ মহিলাগৰাকীৰ এনে ৰহস্যজনক মৃত্যুৱে অঞ্চলটোত যথেষ্ট শোকৰ ছাঁ পেলাইছে। আজি বিয়লিৰ ভাগত মহিলাগৰাকীৰ মৃতদেহ গাঁওখনত এক শোকাকুল পৰিৱেশত সৎকাৰ কৰা হয়।

# বড়মপুৰত সাতখনকৈ দলঙৰ আধাৰশিলা স্থাপন বিধায়ক জিতু গোস্বামীৰ

**ই-সংবাদ, পুৰণিগুদাম, ৫ জানুৱাৰীঃ** নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ অধীনৰ বিভিন্ন স্থানত আজি বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে সাতখনকৈ দলঙৰ আধাৰশিলা স্থাপন কৰে। দীৰ্ঘদিন ধৰি এখন দলঙৰ বাবে হাহাকাৰ কৰি থকা ৰাইজৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিধায়কগৰাকীয়ে অতি গুৰুত্বপূৰ্ণ দলং কেইখনৰ আধাৰশিলা স্থাপন কৰি ঠিকাদাৰসকলক খৰটকীয়াকৈ দলং কেইখনৰ কাম কৰিবলৈ নিৰ্দেশ দিয়ে। উদমাৰী, চলচলি বড়মপুৰকে ধৰি সাতটাকৈ স্থানত দলঙৰ আধাৰশিলা স্থাপন কৰি বিধায়কগৰাকীয়ে কয় যে, মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিনৰ প্ৰতি লক্ষ্য ৰাখি বিগত বছৰৰ দৰে বড়মপুৰত আজিৰে পৰা সপ্তাহযোৰাকৈ পালন কৰা হৈছে উন্নয়নৰ এটা সপ্তাহ। পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ পূৰ্বেই বিভিন্ন উন্নয়নমূলক কাম সমূহৰ আধাৰশিলা স্থাপন কৰি কামসমূহ খৰটকীয়াকৈ ৰূপায়ণ হোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে বিধায়ক গোস্বামীয়ে।আজি লোকনিৰ্মাণ বিভাগৰ নগাঁও বটদ্ৰৱা, ৰহা আৰু বড়মপুৰ ক্ষেত্ৰীয় সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীক লগত লৈ বিধায়ক গৰাকীয়ে গুৰুত্বপূৰ্ণ দলং কেইখনৰ আধাৰশিলা স্থাপন কৰি সকলোকে উৎসাহিত কৰে।বিশেষকৈ চলচলি



তিনিআলিৰ পৰা বালিজুৰি, বৰবাৰী সংযোগী এখন কাঠৰ দলঙে যুগ-যুগ ধৰি বৃহত্তৰ অঞ্চলৰ ৰাইজক বাৰুকৈয়ে সমস্যাত পেলাই আহিছে।বাৰিষা হোৱাৰ লগে-লগে প্ৰতিবছৰে পশুধনৰ পানীত পৰি মৃত্যু হোৱাৰ লগতে যোৱা বৰ্ষলৈকে কেইবাগৰাকী লোকৰ পানীত পৰি মৃত্যু হৈছে। এনেক্ষেত্ৰত চলচলি দলং খনৰ নিৰ্মাণ সম্পূৰ্ণ হ'লেই এনেধৰণৰ সমস্যাৰ পৰা ৰাইজে পৰিত্ৰান পাব বুলি চলচলিৰ স্থানীয় লোকে সাংবাদিকক মতপ্ৰকাশ কৰিছে। আজি দলং কেইখনৰ আধাৰশিলা কাৰ্যসূচীত কলিয়াবৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক আৰবিন্দ চৌধুৰীকে ধৰি বিজেপি, অগপ দলৰ কৰ্মকৰ্তা আৰু দলং নিৰ্মাণ হ'ব লগা অঞ্চলসমূহৰ ৰাইজে বিশেষভাৱে সহযোগিতা আগবঢ়ায়।

# বৰপেটাৰোডৰ আগশৰীৰ শিক্ষানুষ্ঠান মানস ভেলী একাডেমীত প্ৰাক ভোগালী বিহু



**ই-সংবাদ, বৰপেটাৰোড, ৫ জানুৱাৰীঃ** ভোগৰ উৎসৱ ভোগালী বিহুলৈ মাজত মাত্ৰ কেইটামান দিন। ইতিমধ্যে চহা অসমীয়াই ভোগালী বিহুক আদৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। সমগ্ৰ ৰাজ্যবাসী ব্যস্ত হোৱাৰ সমান্তৰালকৈ বৰপেটাৰোডো ব্যস্ত হোৱা দেখা গৈছে ভোগালী বিহুক লৈ। বৰপেটাৰোডৰ আগশাৰীৰ শিক্ষানুষ্ঠান মানস ভেলী একাডেমীয়ে আগন্তুক ভোগালী বিহুক লৈ প্ৰাক ভোগালী বিহু উদযাপন কৰা দেখা গৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পুথিগত শিক্ষাৰ উপৰিও অসমীয়া থলুৱা খাদ্য সম্ভাৰ, জাতীয় উৎসৱ, বিহুৰ ৰীতি-নীতি, পৰম্পৰাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক আভাস দিয়াৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে বিদ্যালয় কৰ্তৃপক্ষই। প্ৰাক ভোগালী বিহু উদযাপনৰ লগতে বিদ্যালয় কৰ্তৃপক্ষই এখন ভোগালী মেলাৰো আয়োজন কৰে য'ত বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে ঘৰতেই প্ৰস্তুত কৰা অসমীয়া থলুৱা খাদ্য সম্ভাৰ যেনে তিল পিঠা, তিলৰ লাড়ু, নাৰিকলৰ লাড়ু, তেল পিঠা, মুড়ি-লাড়ু, দৈ, চিৰা, বিভিন্ন পিঠা-পনা, আদিৰ উপৰিও থলুৱা সাজপাৰ আদি ভোগালী মেলাত বিক্ৰী কৰে। বিদ্যালয়খনে আয়োজন কৰা প্ৰাক ভোগালী বিহু উৎসৱত ছাত্ৰ-ছাত্ৰী লগতে অভিভাৱক অভিভাৱিকাই ঘৰত প্ৰস্তুত কৰা লাড়ু, পিঠা বিক্ৰীৰ বাবে কেবাখনো বিপণীত বিক্ৰীৰ বাবে অনা দেখা গৈছে। আনহাতে প্ৰাক ভোগালী উৎসৱত ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও অভিভাৱকসকলে বিহু নৃত্য, আধুনিক নৃত্যৰ লগতে বিভিন্ন জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰে। উল্লেখনীয় যে প্ৰাক ভোগালী উৎসৱৰ ভোগালী মেলাত ছাত্ৰ-ছাত্ৰীসকলে বিপণীসমূহত বিক্ৰী কৰা পিঠা লাড়ুৰ পৰা পোৱা ধনেৰে বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীসকলক লৈ প্ৰতিবছৰে সমাজৰ দুখীয়া দৰিদ্ৰ তথা নিঃসহায় লোকসকলৰ মাজত একোখনকৈ বস্ত্ৰ বিতৰণ কৰি আহিছে আৰু এইবাৰো ছাত্ৰ-ছাত্ৰীসকলে পিঠা-লাড়ু বিক্ৰী কৰি পোৱা ধনেৰে সমাজৰ দুখীয়া দৰিদ্ৰলোকৰ মাজত বস্ত্ৰ বিতৰণ কৰিব বুলি বিদ্যালয়খনৰ অধ্যক্ষ সঞ্জীৱ মুদৈয়ে জনায়। লগতে তেওঁ আৰু জনায় যে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক ভোগালী মেলাৰ বিপণীত পিঠা-লাড়ু প্ৰস্তুত কৰি বিক্ৰী কৰিবলৈ এই কাৰণে দিছে যাতে তেওঁলোকে ভৱিষ্যতে নিজকে স্বাৱলম্বী কৰি তুলিব পাৰে আৰু নিজকে সমাজৰ প্ৰতি এগৰাকী দায়বদ্ধ ব্যক্তি হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে।

# কলিয়াবৰ জিলা বিজেপিৰ সভাপতিৰ দায়িত্ব ল'লে বাবুল বৰাই

**ই-সংবাদ, পুৰণিগুদাম, ৫ জানুৱাৰীঃ** নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ বড়মপুৰ শ্বহীদ ভৱনত আজি সন্ধ্যা এক সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সন্ধ্যা ৬ বজাৰ পৰা অনুষ্ঠিত হোৱা সভাত বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা,বিজেপি নেতা সুৰেশ বৰা, কলিয়াবৰ জিলাৰ নিৰ্বাচনী বিষয়া অনিমেশ শইকীয়া, সহঃনিবাৰ্চনী বিষয়া সীমাঞ্চল দিগাল, জয়ন্ত ফুকন, অগপ নেতা মুজিবুৰ ৰহমান, বিষয়ববীয়া মুন্না সিং উপস্থিত থাকে। সম্বৰ্ধনা অনুষ্ঠান উপলক্ষে অনুষ্ঠিত হোৱা সভাত কলিয়াবৰ জিলা বিজেপিৰ নৱনিৰ্বাচিত সভাপতি বাবুল বৰা উপস্থিত থাকে। দ্বিতীয়বাৰৰ বাবে কলিয়াবৰ জিলা বিজেপিৰ সভাপতিৰ দায়িত্ব লৈ আজি বড়মপুৰ শ্বহীদ ভৱনত অনুষ্ঠিত হোৱা সম্বৰ্ধনা সভাত দায়িত্বভাৰ গ্ৰহন কৰে বাবুল বৰাই। সভাত দিপ্লুৰঞ্জন শৰ্মাক বড়মপুৰত বিশেষভাৱে আদৰণি জনায়। সভাত বিধায়ক জিতু গোস্বামী আৰু দিপ্লুৰঞ্জন শৰ্মাই বাবুল বৰাক কলিয়াবৰ জিলাৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰে। সভাত ভাৰতীয় জনতা পাৰ্টিৰ বিভিন্ন ভাতৃ সংগঠন, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে জিলা সভাপতি বাবুল বৰা,নৱনিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মা আৰু বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক বিপুলভাৱে সম্বৰ্ধনা জনায়। সভাত নৱ নিৰ্বাচিত সভাপতি বাবুল বৰাই পুনৰবাৰ জিলা সভাপতিৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে ৰাজ্যিক সভাপতি ভবেশ কলিতা, মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মা আৰু বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক ধন্যবাদ জনোৱাৰ লগতে সকলো কৰ্মকৰ্তাক লগত লৈ আগবাঢ়ি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত বিধায়ক জিতু গোস্বামী উপস্থিত থাকি ভাষণ প্ৰসংগত কয়, কলিয়াবৰ জিলাখন ভৌগলিকভাৱে বহুত ডাঙৰ জিলা। এই জিলাত কৰ্মীসকলে ভালকৈ কাম কৰাৰ কাৰণে লোকসভা নিৰ্বাচন আৰু চামগুৰি উপ-নিৰ্বাচনত সফলতা লাভ কৰিব পাৰিছো। পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰাৰ চেষ্টা কৰিব লাগিব বুলি উল্লেখ কৰি প্ৰত্যেকজন কৰ্মীয়ে এজনক ৱাৰ্ড সদস্য হিছাপে জয়লাভ কৰিব পাৰি নেকি চেষ্টা কৰিবলৈ আহ্বান জনাই বিধায়ক গোস্বামীয়ে।সভাত চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই কয় যে, বিধায়ক হোৱাটো মোৰ লক্ষ্য নাছিল। ৰাজনীতিত সপোন থাকিব লাগে। সেইবুলি বিধায়ক হোৱাটো মোৰ শেষ সপোন নহয়। প্ৰত্যেকজন কৰ্মীৰ বাবে বিজেপি চৰকাৰ থকাটো অতি প্ৰয়োজন বুলি উল্লেখ কৰি প্ৰত্যেকজন কৰ্মীয়ে জীৱনত লক্ষ্য লৈ কাম কৰিব লাগে। প্ৰত্যেকজন কৰ্মী কাৰোবাৰ দয়াৰ পাত্ৰ হোৱাতকৈ মৰমৰ পাত্ৰহে হোৱা উচিত।

# ৪খনকৈ জিলাত সমগ্ৰ শিক্ষাৰ ইনক্লুছিভ স্পৰ্টছ প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, খাৰুপেটীয়া, ৫ জানুৱাৰীঃ** শাৰীৰিক বাধাগ্ৰস্ততা শিক্ষা আৰু ক্ৰীড়াৰ অন্তৰায় নহয়,সামগ্ৰিক ক্ৰীড়া (ইনক্লুছিভ স্প'ৰ্টছ)ৰ শক্তি আৰু আনন্দৰ জৰিয়তে তেওঁলোকৰ জীৱন উজ্জীৱিত কৰি তুলিব পাৰি। স্পেচিয়েল অলিম্পিক ভাৰতৰ এই আদৰ্শক সাৰোগত কৰি সমগ্ৰ শিক্ষাই স্পেচিয়েল অলিম্পিক ভাৰত চমুকৈ এছ অ' বি, অসমৰ সহযোগত পি এমশ্ৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত ইনক্লুছিভ স্প'ৰ্টছৰ এলানি প্ৰশিক্ষণ শিবিৰ ৰাজ্যৰ কেইবাখনো  জিলা পৰ্যায়ত চলি আছে। ছিপাঝাৰস্থিত স্পেচিয়েল অলিম্পিক প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক তথা শাৰীৰিক নিৰ্দেশক মৃণাল কলিতাৰ তত্ত্বাৱধানত দৰঙৰ মঙলদৈ টাউন হাইস্কুলত ২৩ ডিচেম্বৰত, ওদালগুৰী জিলাৰ ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত  ২৬ ডিচেম্বৰত, শোণিতপুৰ জিলাৰ তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৩০ ডিচেম্বৰত আৰু বিশ্বনাথ জিলাৰ প্ৰকল্প বিষয়াৰ কাৰ্যালয়ত ৩ জানুৱাৰীত প্ৰশিক্ষণ আগবঢ়ায়। বিভিন্ন দলীয়-একক খেলৰ লগতে কিছু আনন্দদায়ক খেল, যোগাসনৰো প্ৰশিক্ষণ প্ৰদান কৰে শাৰীৰিক নিৰ্দেশকদ্বয় মৃণাল কলিতা, মোবাৰক হুছেইন আৰু গজেন ডেকাই। প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে উপ-পৰিদৰ্শক ধীৰাজ টাইদে।

# হাঁহৰিয়াল গাঁৱত প্ৰাইজমাণি ফুটবল

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৫ জানুৱাৰীঃ** উদয়নজ্যোতি যুৱক সংঘৰ উদ্যোগত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ চাবুৱা-ৰহমৰীয়া আঞ্চলিক সমিতিৰ সহযোগত প্ৰয়াত নিতুল কোচ আৰু সুদৰ্শজ্যোতি কোচৰ সোঁৱৰণীত আজি আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাখনি সম্পন্ন হৈ যায়। হাঁহৰিয়াল গাঁও ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত ফুটবল খেলত বিজয়ী দলক ট্ৰফীসহ নগদ ধনেৰে পুৰস্কৃত কৰা হয়। প্ৰয়াত নিতুল কোচ আৰু সুদৰ্শজ্যোতি কোচৰ সোঁৱৰণীত অনুষ্ঠিত হোৱা আমন্ত্ৰণমূলক প্ৰাইজমণি ফুটবল প্ৰতিযোগিতা খেলখনি নগদ ধন আৰু ট্ৰফীৰে পুৰস্কৃত কৰে তেওলোকৰ পৰিয়ালে। অনুষ্ঠানত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ৰূপম কোচ, সাংবাদিক দিবাকৰ দত্ত, তপন কুমাৰ শইকীয়া, চাবুৱাৰ প্ৰাক্তন আছু নেতা ৰূপম দত্তৰ লগতে বহু ব্যক্তি উপস্থিত থাকে।



ভাৰতক পৰাভূত কৰি বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী জয় অষ্ট্ৰেলিয়াৰ, দেওবাৰে ছিডনী ক্ৰিকেট গ্ৰাউণ্ডত

## বিজয় ৰাজকোঁৱৰ সভাপতি নিৰ্বাচিত, স্মৃতিগ্ৰন্থ চাং খাম উন্মোচন

# টাইপাৰ ষষ্ঠ কেন্দ্ৰীয় চৰাইদেউ অধিৱেশনৰ সামৰণি

**চাওলুং ছ্যু-কা-ফা সমন্বয় ক্ষেত্ৰৰপৰা অভিজিৎ ভূঞা, ৫ জানুৱাৰীঃ** আহোম জনগোষ্ঠীৰ ইতিহাস চাওলুং ছ্যুকাফাত আৰম্ভ হৈ লাচিত বৰফুকনত সমাপ্ত হোৱা নাই। বহু বীৰ-বীৰাঙ্গনাৰ বীৰত্বৰ স্মৃতিগাঁথা, সংগ্ৰাম তথা শৌৰ্য-বীৰ্যৰে আহোমৰ ইতিহাস সমৃদ্ধ। সোণাৰিত টাইপাৰ কেন্দ্ৰীয় অধিৱেশনত অংশগ্ৰহণ কৰি আজি এই মন্তব্য কৰে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই। উল্লেখ্য যে, সোণাৰিৰ ভজো মাজপথাৰৰস্থিত চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা টাই আহোম যুৱ পৰিষদ অসমৰ ষষ্ঠতম্ কেন্দ্ৰীয় অধিৱেশনখনি আজি সফল সমাপ্তি হয়। তিনি জানুৱাৰীৰপৰা অনুষ্ঠিত হোৱা অধিৱেশনৰ অন্তিম দিনা আজি দুপৰীয়া সোণাৰি ৰাজহুৱা খেলপথাৰৰ পৰা উলিওৱা বাৰে ৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত অনুষ্ঠিত মুকলি সভা আৰু নিশাৰ সাংস্কৃতিক অনুষ্ঠানৰ পাছত সমাপন হয় ষষ্ঠতম্ কেন্দ্ৰীয় অধিৱেশনখন। টাই আহোম জনগোষ্ঠীৰ বহু কেইটা সাংস্কৃতিক দল তথা বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলৰ অংশগ্ৰহনেৰে দুই সহস্ৰাধিক লোকৰ সমাৱেশেৰে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাটি উদ্বোধন কৰে সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে। আনহাতে টাইপাৰ সভাপতি বিজয় ৰাজকোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাখনত উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ প্ৰাক্তন অধ্যক্ষ ড° দয়ানন্দ বুঢ়াগোহাঁই, চেবাৰ প্ৰাক্তন অধ্যক্ষ কমলজ্যোতি গগৈ, আটাছুৰ সভাপতি বসন্ত গগৈ, জ্যেষ্ঠ সাংবাদিক পৰাগমণি আদিত্য,এনবি নিউজৰ মহা প্ৰবন্ধক দাদুমণি বৰা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাই, সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, আটাছুৰ কাৰ্যকৰী সভাপতি দেৱজিৎ গগৈ, উদযাপন সমিতিৰ সভাপতি ডিম্বেশ্বৰ কোঁৱৰৰ লগতে জাতীয়-জনগোষ্ঠীয় সংগঠনৰ বহু কেইগৰাকী নেতা তথা বিশিষ্ট অতিথি উপস্থিত থাকে। মুকলি সভাতেই অভিজিৎ ভূঞাৰ সম্পাদনাত উদযাপন সমিতিয়ে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ চাং খাম উন্মোচন কৰে সাহিত্যিক পেঞ্চনাৰ ৰতিপ্ৰভা গগৈয়ে। মন কৰিবলগীয়া যে, তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অধিবেশনৰ দ্বিতীয় দিনা সন্ধিয়াৰপৰা অনুষ্ঠিত হোৱা প্ৰতিনিধি সভা আৰু বিষয় বাচনি সভাৰ সিদ্ধান্ত অনুসৰি চৰাইদেউৰ বিজয় ৰাজকোঁৱৰক আগন্তুক কাৰ্যকালৰ বাবে পুনৰ সভাপতি নিৰ্বাচিত কৰাৰ লগতে মৰাণৰ ৰুদ্ৰ সাগৰ বুঢ়াগোহাঁইক কাৰ্যকৰী সভাপতি, শদিয়াৰ মনোৰঞ্জন গগৈ আৰু কামৰূপ জিলাৰ গুণকান্ত গগৈক যুটীয়া সম্পাদক হিচাপে লৈ  নতুন সমিতি গঠন কৰা হয়।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি